www.newsnextone.com
e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

SUNDAY, NOVEMBER 10, 2024 ■ দেওবাৰ, ২৪ কাতি, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ৩০৭ Guwahati, Assam ।। মূল্যঃ এটকা

## ছত্তীশগড়ত নিহত ৩ মাওবাদী

**ৰায়পুৰ, ৯ নৱেম্বৰঃ** ছত্তীশগড়ত মাওবাদীৰ বিৰুদ্ধে চলোৱা অভিযানত পুনৰ এবাৰ বৃহৎ ৫ পৃষ্ঠাত চাওক

## উদাৰনৈতিক আৰু উগ্ৰ সোঁপন্থী ৰাজনীতিৰ যুঁজ

Fast টাইপিং



■ ধ্ৰুৱজ্যোতি ধনন্তৰি

**যেতিয়া সমগ্ৰ** বিশ্বৰ ভিন্ন প্ৰান্তত উগ্ৰ জাতীয়তাবাদে ভয়াৱহ ৰূপ ধাৰণ কৰিছিল তেতিয়াই এখনৰ পিছত আনখন দেশত লিবাৰেল বা উদাৰবাদী ৰাজনৈতিক দলসমূহৰ শাসন আৰম্ভ হৈছিল। কিন্তু শেহতীয়াকৈ একাধিক দেশত সাধাৰণ শেষাংশ ৩ পৃষ্ঠাত

### বিহালীত সংখ্যালঘুৰ ভোট বিচাৰিলে পদ্মই

## শংকৰদেৱক হিমন্তই অপমান কৰিছে! চামগুৰিত ক'লে ভূপেন বৰাই



**ই-সংবাদ, ৯ নৱেম্বৰঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ নীতি-আদৰ্শক ধূলিস্যাৎ কৰিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। গুৰুজনাই জাতি, ধৰ্ম নিৰ্বিশেষে সকলোকে লৈ অসমীয়া জাতি গঢ় দিছিল আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ধৰ্মৰ নামত হিন্দু, মুছলমান কৰি জাতিটোক ভাগ ভাগ কৰিছে। চামগুৰিত আজি এই শেষাংশ ৬ পৃষ্ঠাত



## হৃদয় বিদাৰক! কপলিঙৰ চেপাত ৰে'লকৰ্মীৰ মৃত্যু

**পাটনা, ৯ নৱেম্বৰঃ** এক হৃদয়বিদাৰক ঘটনা সংঘটিত হ'ল বিহাৰৰ বেগুছৰাইত। ষ্টেচনত ৰখাই থোৱা ট্ৰেইনৰ ইঞ্জিন শেষাংশ ৪ পৃষ্ঠাত

### গছ কাটি ভালপোৱা চৰকাৰৰ গছ ৰোপণৰ নাটক! পানীত পৰিল কেবাকোটি


# 'অমৃত বৃক্ষ' অভিযানৰ ৮০ শতাংশ গছপুলিৰ অপমৃত্যু!

**ই-সংবাদ বিশেষ, ৯ নৱেম্বৰঃ** এবছৰ এমাহ অতিক্ৰম কৰিলে ৰাজ্য চৰকাৰৰ অমৃত বৃক্ষ আন্দোলনে। গছপুলি ৰোপণৰ বিশ্ব অভিলেখ সৃষ্টিৰ লক্ষ্যৰে ২০২৩ চনৰ ছেপ্টেম্বৰ মাহত এই আন্দোলনৰ কথা ঘোষণা কৰিছিল শেষাংশ ২ পৃষ্ঠাত



## দুৰাৰোগ্য ৰোগে অকালতে লৈ গ'ল ডাঃ অনিন্দিতাক

**ই-সংবাদ, ৯ নৱেম্বৰঃ** দুৰাৰোগ্য কৰ্কট ৰোগত আক্ৰান্ত হৈ গুৱাহাটী শেষাংশ ৬ পৃষ্ঠাত



## মধুস্মিতাৰ নিথৰ দেহ উদ্ধাৰ

**ই-সংবাদ, ৯ নৱেম্বৰঃ** ৰাজ্যখনৰ সামাজিক আবহাৱা দূষিত হৈছে। একাংশ শেষাংশ ৩ পৃষ্ঠাত

## চামগুৰিত দুৰ্বৃত্তৰ গুলীচালনা

**ই-সংবাদ, পুৰণিগুদাম, ৯ নৱেম্বৰঃ** নিৰ্বাচনী হিংসাই শনিবাৰে নিশা ভয়াৱহ ৰূপ ধাৰণ কৰে চামগুৰিত। দুৰ্বৃত্তই সংঘটিত কৰা গুলীচালনাৰ ঘটনাত উত্তপ্ত হৈ পৰে অঞ্চলটোৰ পৰিৱেশ। এই গুলীচালনাত এগৰাকী মহিলাসহ ২জনকৈ লোক আহত হোৱা বুলি জানিব পৰা গৈছে। এনেদৰে এতিয়া নগাঁও জিলাৰ চামগুৰি বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ দিন যিমানেই চমু চাপি আহিছে শেষাংশ ৫ পৃষ্ঠাত

## নগাঁৱৰ ইটাচালি আৰক্ষী থানাত নিশা উত্তাল প্ৰতিবাদ

**ই-সংবাদ, ৯ নৱেম্বৰঃ** খিলঞ্জীয়া মহিলাক আক্ৰমণ কৰা দুৰ্বৃত্তক ৯ দিন উকলি যোৱাৰ পিছতো গ্ৰেপ্তাৰ কৰিব নোৱাৰাত নগাঁও জিলাৰ আমতল ডিমৰুগুৰিৰ অঞ্চলৰ ৰাইজে আজি নিশা হাতে হাতে বেনাৰ-পোষ্টাৰ লৈ ঘৰৰ পৰা ওলাই আহি স্থানীয় ইটাচালি আৰক্ষী চকীৰ সন্মুখত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে। শেষাংশ ৪ পৃষ্ঠাত

## তিনিচুকীয়াত প্ৰধানমন্ত্ৰী, মুখ্যমন্ত্ৰীৰ পুত্তলিকা দাহ

**ই-সংবাদ, ডুমডুমা, ৯ নৱেম্বৰঃ** কেন্দ্ৰীয় চৰকাৰৰ জনজাতি পৰিক্ৰমা মন্ত্ৰী জুৱেল ওৰামে মৰাণ, মটককে শেষাংশ ২ পৃষ্ঠাত

## হিমন্ত বিশ্ব শৰ্মা 'ফ্লাইঅভাৰ চিএম'!

**ই-সংবাদ, ৯ নৱেম্বৰঃ** উপ-নিৰ্বাচনৰ ভোটগ্ৰহণলৈ মাজত দুটা দিন বাকী থকা সময়ত বিহালীত পানী শেষাংশ ৫ পৃষ্ঠাত

## কোচিং চেণ্টাৰত 'নীট'ৰ ছাত্ৰীক ধৰ্ষণ

**নতুন দিল্লী, ৯ নৱেম্বৰঃ** কোচিং চেণ্টাৰৰ শিক্ষাগুৰুৰ হাতত নিৰ্যাতিত হ'ল এগৰাকী ছাত্ৰী। উত্তৰ প্ৰদেশৰ শেষাংশ ৪ পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা...

# ‘অমৃত বৃক্ষ’ অভিযানৰ ৮০ শতাংশ

এই আন্দোলনৰ কথা ঘোষণা কৰিছিল ৰাজ্য চৰকাৰে। এই অনুযায়ী প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিনটোত অৰ্থাৎ ১৭ ছেপ্টেম্বৰত অসম চৰকাৰে মাত্ৰ তিনিঘণ্টাৰ ভিতৰতে এশ কোটি বৃক্ষৰোপণ কৰি বিশ্ব অভিলেখ গঢ়াৰ প্ৰয়াস চলাইছিল। সমগ্ৰ ৰাজ্যজুৰি চলোৱা বৃক্ষ ৰোপণৰ এই অভিযানৰ নাম দিয়া হৈছিল ‘অমৃত বৃক্ষ আন্দোলন’। একাংশ পৰিৱেশবিদ আৰু বিশেষজ্ঞই এই অভিযানৰ সম্ভাৱনীয়তা আৰু বহনক্ষমতাক লৈ প্ৰশ্ন উত্থাপন কৰি অসম চৰকাৰৰ এই অভিযান ভুৱা আৰু কেৱল প্ৰচাৰমুখী বুলি অভিহিত কৰি সমালোচনা কৰাৰ পিছতো নাছোৰবান্দা হৈ আছিল চৰকাৰ। বিগত বৰ্ষৰ ৯ ছেপ্টেম্বৰৰ পৰা আৰম্ভ হোৱা আৰু ১৭ ছেপ্টেম্বৰত শিখৰত উপনীত হোৱা ‘অমৃত বৃক্ষ আন্দোলন’ৰ সময়ত অসম চৰকাৰে ৯টা বিশ্ব অভিলেখ গঢ়িবলৈ চেষ্টা কৰা বুলি দাবী কৰিছিল। এশ কোটি গছপুলি ৰোপণৰ বাবে চৰকাৰে প্ৰদান কৰা প্ৰমাণ পত্ৰৰ জৰিয়তে এই বিশ্বাভিলেখ নিৰ্ণয় কৰাৰ প্ৰয়াস চলাইছিল চৰকাৰে। ইয়াৰ বাবে অসমত গীনিজ ৱৰ্ল্ড ৰেকৰ্ডছৰ পৰ্যবেক্ষকসকল উপস্থিত হোৱা বুলিও বাতৰি প্ৰকাশ পাইছিল। চৰকাৰে অমৃত বৃক্ষ আন্দোলন নামেৰে মুকলি কৰা এপ আৰু ৱেবছাইটযোগে গছপুলি ৰোপণৰ বাব আবেদন আৰু ফটো আপলোড কৰিবলৈ আহ্বান জনাইছিল। আত্মসহায়ক গোট, আশা কৰ্মী আৰু অন্যসকলে এপ আৰু ৱেবছাইটযোগে বৃক্ষ ৰোপণৰ ছবি সফলভাৱে আপলোড কৰিলে এশ টকা আৰু পিছৰ পৰ্যায়ত সেই গছপুলি লালন-পালনৰ বাবদ ২০০ টকা অৰ্থাৎ এজোপা গছপুলিৰ নামত সৰ্বমুঠ ৩০০ টকা প্ৰদানৰ কথা ঘোষণা কৰিছিল মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। এনেদৰে মহাধুমধামেৰে অমৃত বৃক্ষ আন্দোলনৰ জৰিয়তে ৰাজ্যৰ গাঁৱে-ভূঞে, চহৰে-নগৰে, বিদ্যালয়ে-মহাবিদ্যালয়ে ব্যাপক হাৰত গছপুলি ৰোপণ কৰা হৈছিল। গছপুলি ৰোপণ কৰি ৰোপণৰ ফটো আপলোড কৰা হৈছিল চৰকাৰী এপত। এপত আপলোড কৰা ফটোৰ ওপৰত ভিত্তি কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই তথ্যও সদৰী কৰিছিল। ফেচবুকত পোষ্ট কৰি মুখ্যমন্ত্ৰীয়ে লিখিছিল, "সেউজ আৱৰণ বৃদ্ধি আৰু ৰাজ্যত বৃক্ষ অৰ্থনীতিৰ বিকাশৰ লক্ষ্যৰে অসম চৰকাৰৰ হাতত লোৱা এক উল্লেখযোগ্য পদক্ষেপ হৈছে 'অমৃত বৃক্ষ আন্দোলন'। বৰ্তমানলৈ এই কাৰ্যসূচীৰ অধীনত ৰাজ্যজুৰি ১ কোটিৰো অধিক গছপুলি ৰোপণ কৰা হৈছে। অসমবাসীৰ সহায়-সহযোগিতা আৰু সক্ৰিয় অংশগ্ৰহণৰ বাবে আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো।” কিন্তু সেই কোটি কোটি গছপুলিৰ কিমানটা পুলি লহপহকৈ বাঢ়ি এতিয়া ডাঙৰ হ’বলৈ লৈছে সেই লৈ প্ৰশ্ন উত্থাপিত হৈছে। 'নিউজ নেক্সট ওৱান'ৰ এক সমীক্ষাত দেখা গৈছে অমৃত বৃক্ষ আন্দোলন শীৰ্ষক কাৰ্যসূচীৰ জৰিয়তে ৰোপণ কৰা গছপুলিৰ মাত্ৰ ২০ শতাংশ গছপুলিহে বাছি ৰৈছে। বিপৰীতে চোৱা-চিতাৰ অভাৱত ৮০ শতাংশ গছপুলি ৰোপণৰ কিছুদিন পিছতে মৰি গৈছে। উজনি অসমৰ ডিগবৈ, দুলীয়াজান, নামৰূপ আদি ঠাইত ৰোপণ কৰা হাজাৰ হাজাৰ গছপুলিৰ এতিয়া কোনো চিন-মোকাম পাবলৈ নাই। ৰাষ্ট্ৰীয় ঘাইপথৰ ডিভাইদাৰৰ মাজতো বহুতো অমৃত বৃক্ষ ৰোপণ কৰা হৈছিল যদিও সেইবোৰ গৰু-ছাগলীয়ে খাই পেলোৱাত ঠাল-ঠেঙুলিহে ওলাই ৰৈছেগৈ। নামনি অসমৰ কোকৰাঝাৰৰ ভিন্ন প্ৰান্ততো দেখা গৈছে একেই দৃশ্য। ওদালগুৰিৰ কলাইগাঁও উন্নয়ন খণ্ডত অমৃত বৃক্ষ আন্দোলনৰ বাবে ৰোপণ কৰিবলৈ চৰকাৰীভাৱে গছপুলিৰ নামত ঠাল-ঠেঙুলি যোগান ধৰাত ৰোপণৰ দুদিন পিছতেই সেইবোৰ মৰি গৈছিল। কেৱল ডিগবৈ, নামৰূপ, দুলীয়াজানস কোকৰাঝাৰ, ওদালগুৰিয়েই নহয়, ৰাজ্যৰ ভিন্ন প্ৰান্তত চলোৱা সমীক্ষাত দেখা গৈছে যে অমৃত বৃক্ষ আন্দোলনৰ অংশ হিচাপে ৰোপণ কৰা গছপুলিসমূহৰ ৮০ শতাংশৰে চিন-মোকাম পাবলৈ নাই। বাকী জীয়াই থকা ২০ শতাংশ গছপুলিৰো ১৫ শতাংশৰেই এতিয়া যত্নৰ অভাৱত অৱস্থা তথৈবচ হৈ পৰিছে। ছেপ্টেম্বৰ মাহ গছপুলি ৰোপণৰ বাবে উপযুক্ত সময় নোহোৱা বাবেও ৰোপণৰ কিছুদিন পিছতেই অধিকাংশ গছপুলি মৰি গৈছিল বুলি 'নিউজ নেক্সট ওৱান'-এ চলোৱা সমীক্ষাত জানিব পৰা গৈছে। উল্লেখ্য যে, এপত ফটো আপলোডৰ বাবে একেজোপা গছকে বিভিন্ন এংগলৰ পৰা তোলা হৈছিল বুলিও সেই সময়ত অভিযোগ উঠিছিল। আনহাতে এই কাৰ্যসূচীৰ জৰিয়তে শিক্ষানুষ্ঠানসমূহতো একাধিক গছপুলি ৰোপণ কৰা হৈছিল। কেবাখনো শিক্ষানুষ্ঠানৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীয়ে জানিবলৈ দিয়া মতে শিক্ষানুষ্ঠান চৌহদত পূৰ্বৰে একাধিক গছ-গছনি থকাত বহু শিক্ষানুষ্ঠানত নতুনকৈ গছপুলি ৰোপণক লৈ সমস্যাই দেখা গৈছিল। কিন্তু চৰকাৰী নিৰ্দেশ পালন কৰি গছপুলি ৰোপণ কৰা হৈছিল যদিও দুই-এখন বিদ্যালয়ৰ বাদে অধিকাংশতে গছপুলিসমূহ ৰোপণৰ কিছুদিন পিছতে ধ্বংস হৈ পৰিছিল। আনহাতে গ্ৰামাঞ্চলত মহিলাসকলে এপত আপলোড কৰি ধন পোৱাৰ আশাত ৰোপণ কৰা গছপুলিসমূহৰো অধিকাংশৰে চিন-মোকাম পাবলৈ নাই। এনেদৰেই এতিয়া একপ্ৰকাৰ প্ৰহসনত পৰিণত হৈ পৰিছে ৰাজ্য চৰকাৰৰ অভিলাসী আঁচনি 'অমৃত বৃক্ষ আন্দোলন'। এই আন্দোলন চলিত বৰ্ষতো আৰম্ভ কৰা হৈছিল যদিও প্ৰথম কাৰ্যসূচীৰ চূড়ান্ত ব্যৰ্থতাৰ পৰিপ্ৰেক্ষিতত এইবাৰ প্ৰথমবাৰৰ দৰে ৰাইজৰ ফালৰ পৰা কোনো সঁহাৰি চৰকাৰে লাভ নকৰিলে। লগতে প্ৰথমবাৰৰ সৰ্বত্ৰে সমালোচনাৰ সন্মুখীন হোৱালৈ চাই চৰকাৰেও পূৰ্বৰ দৰে ঢাক-ঢোল বজাবলৈ সাহস নকৰিলে। ইয়াৰ বিপৰীতে অমৃত বৃক্ষ আন্দোলন চলোৱা চৰকাৰখনৰ বিৰুদ্ধে এতিয়া এটাৰ পিছত এটাকৈ উন্নয়নমূলক কাৰ্যৰ নামত গছ কাটিবলৈ নিত্য নতুন ষড়যন্ত্ৰ ৰচনা কৰাৰহে অভিযোগ উত্থাপিত হ’বলৈ আৰম্ভ কৰিছে। ৰাষ্ট্ৰীয় ঘাইপথ বহলোৱাৰ নামত গোৱালপাৰা, ধুবুৰীত কেবালক্ষ গছ আৰু বননি ধ্বংস কৰাৰ পিছত গুৱাহাটী মহানগৰীৰ মাজমজিয়াতো ঐতিহ্যমণ্ডিত কেবাজোপা গছ কাটিবলৈ যো-জা চলাই ৰাইজৰ ৰোষত পৰিছে চৰকাৰ। কিন্তু তেনে সিদ্ধান্তৰ বিৰুদ্ধে মহানগৰবাসীয়ে মাৰবান্ধি থিয় দিয়াত পিছ হুহকিবলৈ বাধ্য হৈ পৰে এটা বছৰ পূৰ্বে অমৃত বৃক্ষ আন্দোলনৰে মানুহৰ বাঃ বাঃ ল’বলৈ তৎপৰ হৈ থকা হিমন্ত বিশ্বৰ চৰকাৰ।

প্ৰথম পৃষ্ঠাৰ পৰা...

# তিনিচুকীয়াত প্ৰধানমন্ত্ৰী, মুখ্যমন্ত্ৰীৰ

ধৰি অসমৰ ছয় জনগোষ্ঠীৰ জনজাতিকৰণ বিষয়টোৰ সম্পৰ্কত সিদ্ধান্ত লোৱা নাই বুলি কৰা দায়সৰা আৰু তুলুঙা মন্তব্যত ক্ষোভ প্ৰকাশ কৰি সদৌ মৰাণ ছাত্ৰ সন্থা আৰু সদৌ অসম মটক যুব-ছাত্ৰ সন্মিলনে আজি বাণিজ্যিক চহৰ তিনিচুকীয়া থানা চাৰিআলিত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা মন্ত্ৰী জুৱেল ওৰাম আৰু অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ পুত্তলিকা দাহ কাৰ্যসূচী ৰূপায়ন কৰি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। অসমৰ আদিম ভূমিপুত্ৰ মৰাণ, মটককে ধৰি ছয় জনগোষ্ঠীৰ জনজাতিকৰণক লৈ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে কেৱল প্ৰতাৰণাৰ ৰাজনীতি কৰি আহিছে বুলি কৈ এনে ৰাজনীতি মৰাণ-মটকে কোনোপধ্যে সহ্য নকৰে বুলিও সকিয়নী দিয়ে। ২০২৬ত চৰকাৰে এই প্ৰতাৰণাৰ পৰিণাম ভুগিব লাগিব বুলি কৈ সদৌ মৰাণ ছাত্ৰ সন্থাৰ সভাপতি পলিন্দ্ৰ বড়া, সাধাৰণ সম্পাদক জয়কান্ত মৰাণ, সদৌ অসম মটক যুৱ-ছাত্ৰ সন্মিলনৰ সাধাৰণ সম্পাদক স্বৰূপ গোঁহাই, তিনিচুকীয়া জিলা সমিতিৰ সভাপতি জিন্তু বৰগোহাঁই, সাধাৰণ সম্পাদক সঞ্জয় গগৈয়ে তীব্ৰ ক্ষোভ প্ৰকাশ কৰে। অসমৰ দক্ষ মুখ্যমন্ত্ৰীগৰাকী নিজে মডেলিটি কমিটিৰ অধ্যক্ষ হিচাপে থকাৰ পাছতো ছয় জনগোষ্ঠীৰ জনজাতিকৰণ বিষয়টো আগবঢ়াই নিনিয়াটো খিলঞ্জীয়া বিৰোধী সিদ্ধান্ত বুলি দুয়োটা সংগঠনে আজি অভিযোগ কৰে। মুখ্যমন্ত্ৰীৰ কথাৰ ফুলজাৰি মৰাণ আৰু মটক জনগোষ্ঠীয়ে বুজি উঠা বুলি কৈ তেখেত খিলঞ্জীয়াৰ উন্নয়ন আৰু উত্তৰণৰ বিৰোধী, হিন্দু বাংলাদেশীৰ ৰক্ষক বুলিও উল্লেখ কৰে। শেহতীয়াকৈ মিছন বসুন্ধৰা ৩.০ জৰিয়তে মৰাণ-মটকক বঞ্চিত কৰিছে বুলিও অভিযোগ তোলে দুয়োটা সংগঠনৰ বিষয়ববীয়াই। শতাধিক প্ৰতিবাদকাৰীয়ে পুলিচ প্ৰশাসনৰ দমন নীতিকো ওফৰাই উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদী কাৰ্যসূচীৰ সময়ত আৰক্ষীয়ে জুই নুমুৱাবলৈ ব্যৱহাৰ কৰা অগ্নিনিৰ্বাপক বাহিনীৰ বিশেষ গেছ প্ৰতিবাদকাৰী সকলৰ ক্ষেত্ৰত ব্যৱহাৰ কৰাক লৈ আৰক্ষী-প্ৰতিবাদকাৰীৰ মাজত সৃষ্টি হোৱা হতাহতিত কেইবাগৰাকীও ছাত্ৰ-কৰ্মী কম-বেছি পৰিমাণে আহত হয়। প্ৰতিবাদকাৰীৰ ওপৰত আৰক্ষী বাহিনীয়ে চলোৱা এনে নিকৃষ্ট কাণ্ডক লৈ সংগঠনদ্বয়ে ধিক্কাৰ দিয়াৰ লগতে ঘটনা সংঘটিত কৰা আৰক্ষী বিষয়াৰ ওপৰত বিহিত ব্যৱস্থা গ্ৰহণৰো দাবী তুলিছে। অন্যথা, তিনিচুকীয়া জিলা বন্ধ ঘোষণা কৰাৰো হুংকাৰ প্ৰদান কৰিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# উদাৰনৈতিক আৰু উগ্ৰ সোঁপন্থী

সাধাৰণ ভোটাৰসকল উগ্ৰ সোঁপন্থাৰ প্ৰতি সহজে আকৰ্ষিত হ'বলৈ আৰম্ভ কৰিছে। বিশ্বায়নৰ ভয়াৱহতাৰ পৰিপ্ৰেক্ষিতত এই পৰিৱৰ্তন অতি সহজে গঢ় লৈ উঠিছে। সোঁপন্থী ৰাজনীতিত সংখ্যালঘুৰ পৰিৱৰ্তে সংখ্যাগুৰুক প্ৰাধান্য দিয়াত জয় অতি সহজ হৈ পৰে। লগতে লিবাৰেল ৰাজনীতিৰ পৰিৱৰ্তে সোঁপন্থী ৰাজনীতিত থাকে কিছু সহজ প্ৰলোভন। এনে সহজ প্ৰলোভনৰ বাবেও মানুহ সহজতে এই ৰাজনীতিৰ প্ৰতি আকৰ্ষিত হৈ পৰে।

উগ্ৰ সোঁপন্থী ৰাজনীতিৰ এই ধাৰা ১৫ বছৰ পূৰ্বে ইংলেণ্ডত অত্যাধিক জনপ্ৰিয় হৈ পৰিছিল। ইংলেণ্ডত সোঁপন্থী ৰাজনীতিৰ সপোন আছিল ব্ৰেগজিট। ব্ৰেগজিটৰ বিষয়ে এনেকৈ প্ৰচাৰ কৰা হৈছিল যে সেয়া হৈ উঠিলেই ইংলেণ্ডৰ আধা সমস্যাৰ সমাধান হৈ যাব। পিছে সেয়া আছিল কেৱল এক ৰাজনৈতিক চমক মাত্ৰ।

১৫ বছৰ পূৰ্বে ইংলেণ্ডৰ কনজাৰভেটিভ দলে ব্ৰেগজিটৰ সপোন দেখুৱাই শাসন লাভ কৰিছিল যদিও ব্ৰেগজিট সত্বেও ব্ৰিটিছসকলৰ সমস্যাৰ কোনো সমাধান নহ'ল। বৰং নতুন নতুন সমস্যাই গা কৰিহে উঠিল।

ইউৰোপৰ নব্য সোঁপন্থী ৰাজনীতিৰ এই ধাৰাই পৰৱৰ্তী সময়ত "অচ্ছে দিন আনেৱালে হ্যায়" শ্ল'গানেৰে ভাৰতৰ ৰাজনীতিত প্ৰৱেশ কৰে। ভাৰতত ১০ বছৰ পিছত সেই ৰাজনীতিৰ চোক পূৰ্বতকৈ কমিলেও বৰ্তমানো চোকা হৈ আছে বুলিব পাৰি।

ইংলেণ্ড, ভাৰতৰ পিছত এইবাৰ এই ৰাজনীতি আমেৰিকাত দেখা গৈছে। ডেমক্ৰেটৰ কিছু ভুল নীতিৰ পৰিপ্ৰেক্ষিতত পূৰ্বতকৈয়ো অধিক উগ্ৰ সোঁপন্থাৰে প্ৰত্যাৱৰ্তন ঘটাবলৈ সমৰ্থ হৈছে ড'নাল্ড ট্ৰাম্প। ট্ৰাম্পৰ এইবাৰৰ উগ্ৰ সোঁপন্থী শ্ল'গান আছিল ৮০ৰ দশকৰ ৰ'নাল্ড ৰেগান সৃষ্ট 'মেক আমেৰিকা গ্ৰেট এগেইন'।

চুবুৰীয়া বাংলাদেশত শেখ হাছিনাৰ বিৰুদ্ধেও এনেদৰেই গঢ় লৈ উঠিছিল উগ্ৰ সোঁপন্থী আন্দোলন। ১৫ বছৰ পিছত ইংলেণ্ডত সদ্যসমাপ্ত নিৰ্বাচনত উগ্ৰ সোঁপন্থী ৰাজনীতিৰ অৱসান ঘটাই লিবাৰেল দল লেবাৰ পাৰ্টীৰ পুনৰ আগমন ঘটিলেও বিশ্বৰ বহু দেশত সম্প্ৰতি নতুনকৈ উগ্ৰ সোঁপন্থী ৰাজনীতিৰ উত্থান ঘটা দেখা গৈছে। এনে এখন দেশ হৈছে জাৰ্মানী।

জাৰ্মানীত দ্বিতীয় বিশ্বযুদ্ধৰ পিছত প্ৰথমবাৰৰ বাবে হিটলাৰৰ সমৰ্থকসকলৰ দ্ৰুত গতিত উত্থান ঘটিছে আৰু অনাগত নিৰ্বাচনত এএফডি নামৰ অতি উগ্ৰ সোঁপন্থী এই দলটোৱে শাসনৰ বাঘজৰী লাভ কৰাৰ সম্ভাৱনা ঘনীভূত হৈ পৰিছে।

উগ্ৰ সোঁপন্থী ৰাজনীতিৰ মূল এজেণ্ডাসমূহ পানীৰ দৰে ফটফটীয়া আৰু আৰ্থ-সামাজিক জটিলতাবোৰক উগ্ৰ জাতীয়তাবাদ বা উগ্ৰ ৰাষ্ট্ৰীয়তাবাদেৰে সহজতে ঢাকি ৰাখিব পাৰি বাবে তেনে এজেণ্ডা আৰু উক্ত এজেণ্ডাই অংকন কৰা সপোনবোৰৰ প্ৰতি ভোটাৰসকল অতি সহজতে আকৰ্ষিত হৈ পৰে। বিপৰীতে লিবাৰেল ৰাজনীতিৰ যুঁজখন আৰম্ভণিৰে পৰা আছিল দীঘলীয়া। এই যুঁজত মানৱ জীৱনৰ জটিলতাৰ লগতে সমাজৰ বিভিন্ন স্তৰৰ জটিলতাৰ উপৰিও বিভিন্ন সূক্ষ্ম দিশসমূহকো উদাৰতাৰে চাবলৈ যাওতে সাধাৰণ ভোটাৰসকল বিৰক্ত হৈ পৰে।

যেতিয়াই উগ্ৰ সোঁপন্থী ৰাজনীতিৰ ফলত এখন দেশত চৰম বিপৰ্যয় ঘটে বা মানৱীয় সংকটে দেখা দিয়ে তেতিয়াহে সাধাৰণ মানুহে জটিলভাৱে কথাবোৰ চাবলৈ বাধ্য হৈ পৰে। আৰু তেনে সময়তে কোনো এখন দেশত লিবাৰেল ৰাজনীতিয়ে মূৰ দাঙি উঠে। এনেদৰে প্ৰায় প্ৰতিখন দেশতে এই দুই ধৰণৰ ৰাজনীতিয়ে একো একোটা সময় পৰ্যায়ক্ৰমে লাভ কৰে।

দুয়োধৰণৰ ৰাজনীতিয়ে আচলতে এখন দেশৰ বিভিন্ন দিশসমূহত ভাৰসাম্য বৰ্তাই ৰাখে। উদাহৰণ হিচাপে ভাৰত উপ-মহাদেশৰ কথাকে ক'ব পাৰি। কংগ্ৰেছৰ লিবাৰেল ৰাজনীতিৰ ফলত স্বাধীনতাৰ পিছত অতি কম সময়ৰ ভিতৰতে ভাৰতে বিভিন্ন ক্ষেত্ৰত বিশ্ব পৰ্যায়ত গুৰুত্বপূৰ্ণ স্থান দখল কৰিবলৈ সমৰ্থ হৈছিল। বিপৰীতে ধৰ্মীয় উগ্ৰতাৰে ভৰপূৰ সোঁপন্থী ৰাজনীতিৰে চালিত পাকিস্তানৰ অগ্ৰগতি আছিল তেনেই সামান্য।

কংগ্ৰেছৰ উদাৰনৈতিক চিন্তাৰে পৰিচালিত প্ৰধানমন্ত্ৰীসকলৰ বিভিন্ন উদাৰবাদী নীতিৰ ফলত পৌৰাণিক ধ্যান-ধাৰণাসমূহৰ গুৰুত্ব প্ৰায় কমি আহিছিল। শিক্ষা-দীক্ষা, ইতিহাস আদিত বিশ্বায়নৰ প্ৰভাৱ অধিক হৈ পৰিছিল। ফলত ৰক্ষণশীল ধ্যান-ধাৰণাৰে পৰিপুষ্ট লোকসকলৰ উদ্বিগ্নতা বৃদ্ধি পাইছিল।

এনে সময়তে উক্ত ভাৰসাম্য ৰক্ষা কৰিবলৈ ভাৰতত উগ্ৰ সোঁপন্থী বিজেপিৰ প্ৰতি সংখ্যাগুৰু লোকসকল আকৰ্ষিত হ'বলৈ আৰম্ভ কৰে। সম্প্ৰতি ভাৰতৰ ৪০-৪৫ শতাংশ ভোটাৰ সোঁপন্থাত সম্পূৰ্ণকৈ আৱদ্ধ হৈ পৰিছে যদিও সদ্যসমাপ্ত লোকসভা নিৰ্বাচনে ইংলেণ্ডৰ অনুৰূপ ধৰণে পুনৰ দেশখনৰ জনতাই লিবাৰেল ৰাজনীতিৰ দিশে গতি কৰিবলৈ আৰম্ভ কৰাৰ মৃদু ইংগিত প্ৰদান কৰিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# মধুস্মিতাৰ নিথৰ দেহ উদ্ধাৰ

লোকৰ জিঘাংসাৰ পাৰা অতিমাত্ৰা বৃদ্ধি হৈছে। অসহিষ্ণু হৈ পৰা একাংশ লোকে হঠাতে অসুৰৰ ভাও ধৰি মানুহক বধ কৰিবলৈ কুণ্ঠাবোধ নকৰা হৈছে। এদিন পূৰ্বে বিশ্বনাথ জিলাৰ গহপুৰৰ মৃগাংক শইকীয়াই নিজৰে ৮ বছৰীয়া পুত্ৰক হত্যা কৰি নিজেও আত্মহত্যা কৰাৰ ঘটনাৰ চাঞ্চল্য মাৰনৌযাওতেই পুনৰ ৰাজ্যখনত আন এক হত্যাকাণ্ড সংঘটিত হোৱাৰ অভিযোগ উঠিছে। ডিব্ৰুগড় জিলাত প্ৰেমিকে প্ৰেমিকাক হত্যা কৰাৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে। যোৰহাট জিলাৰ টীয়কৰ মধুস্মিতা বৰুৱাক প্ৰেমিক পংকজ গগৈয়ে হত্যা কৰাৰ অভিযোগ উত্থাপন হৈছে। ছয়দিন ধৰি নিৰুদ্দেশ হৈ থকাৰ অন্তত ডিব্ৰুগড়ৰ লেপেটকটাৰ কোটোহাৰ চেঁচা নৈত ভাহি থকা অৱস্থাত মধুস্মিতা বৰুৱাৰ মৃতদেহ উদ্ধাৰ হৈছে। মধুস্মিতা বৰুৱাক পংকজ গগৈয়ে হত্যা কৰি নৈত পেলাই দিয়াৰ সন্দেহ কৰা হৈছে। জানিব পৰা মতে, টীয়কতে ঘৰ আছিল মধুস্মিতা বৰুৱা আৰু পংকজ গগৈৰ। ডিব্ৰুগড়ৰ লেপেটকটা ঘূৰণীয়াত বায়েকৰ ঘৰত থাকি জিঅ'ৰ স্থানীয় ডিলাৰত কাম কৰি আছিল মধুস্মিতাই। প্ৰেমিক পংকজ গগৈয়ে ডিব্ৰুগড়ৰ বৰবৰুৱা আৰক্ষী চকীৰ অন্তৰ্গত মৰাণৰ চ্যাকাফা নগৰত ভাড়া ঘৰত থাকি কাম কৰিছিল। মধুস্মিতা আৰু পংকজ প্ৰেমিক-প্ৰেমিকা আছিল। হঠাতে ৩ ছেপ্টেম্বৰত নিৰুদ্দেশ হয় মধুস্মিতা। মোবাইল ফোন অফ থকাত বিচাৰ-খোচাৰ কৰি শুংসূত্ৰ উদ্ধাৰ কৰিব নোৱাৰি পৰিয়ালে ডিব্ৰুগড়ৰ বৰবৰুৱা আৰক্ষী চকীত এজাহাৰ দাখিল কৰে। এজাহাৰ দাখিলৰ পাছতে পংকজ গগৈক গ্ৰেপ্তাৰ কৰে আৰক্ষীয়ে। আৰক্ষীৰ জেৰাত মধুস্মিতাক ভাড়াঘৰলৈ নি এটা নিশা ৰখা বুলি স্বীকাৰ কৰে। লগতে ভাড়াঘৰৰ মালিকে চিচিটিভিৰ ফুটেজ প্ৰত্যক্ষ কৰি এগৰাকী যুৱতীক ভাড়াঘৰলৈ অনাটো ঠিৰাং কৰে। কিন্তু ছোৱালীক ভাড়াঘৰলৈ অনাৰ কথা ভাড়াঘৰৰ মালিকক অৱগত কৰা নাছিল। লগে লগে আৰক্ষীয়ে গোচৰ ৰুজু কৰি তদন্ত আৰম্ভ কৰাত নিশা ভাড়াঘৰত ৰাখি মধুস্মিতাক দ্বিতীয়দিনা ট্ৰেভেলাৰ তুলি দিয়া বুলি উল্লেখ কৰে পংকজে। কিন্তু মধুস্মিতাক উদ্ধাৰ কৰিব নোৱাৰিলে ডিব্ৰুগড় আৰক্ষীয়ে। কিন্তু আজি মধুস্মিতাৰ মৃতদেহ নৈত উদ্ধাৰ হয় যদিও মোবাইলটো উদ্ধাৰ হোৱা নাই। লেপেটকটা আৰক্ষীয়ে মৃতদেহ উদ্ধাৰ কৰি তদন্ত আৰম্ভ কৰিছে। পৰিয়ালে দাবী কৰা মতে, পংকজ গগৈক বাৰে বাৰে ফোন কৰা হৈছিল কিন্তু ৰুমত থকাৰ কথা আৰু ট্ৰেভেলাৰত তুলি দিয়াৰ কথা স্বীকাৰ কৰা নাছিল। আৰক্ষীৰ আগত সঁচা কথা কৈছে। পৰিয়ালে পৰিকল্পিতভাৱে ভাড়াঘৰলৈ নি মধুস্মিতাক হত্যা কৰি নৈত পেলাই দিয়াৰ সন্দেহ কৰিছে। আৰক্ষীৰ নিখুঁত তদন্তৰ অন্ততহে ঘটনাৰ প্ৰকৃত ৰহস্য উদঘাটন হ'ব বুলি উল্লেখ কৰিছে ৰাইজে। ঘটনাটোক লৈ লেপেটকাটা আৰু যোৰহাটত চাঞ্চল্য অব্যাহত আছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# নগাঁৱৰ ইটাচালি আৰক্ষী থানাত নিশা

আৰক্ষীয়ে ততাতৈয়াকৈ আৰক্ষী চৌহদত অৰ্ধসামৰিক বাহিনী আৰু আৰক্ষীৰ দল নিয়োগ কৰি প্ৰতিবাদকাৰীক আতৰ কৰিবলৈ প্ৰয়াস কৰে যদিও বিফল হয়। উত্তেজিত লোকে থানাখনৰ ভিতৰত প্ৰৱেশৰ প্ৰয়াস কৰাত থানাৰ গেট বন্ধ কৰি দিয়াত প্ৰতিবাদকাৰীৰ ক্ষোভৰ পাৰা বৃদ্ধি পাই। তেনে সময়ত থানাৰ গেট খুলি ভিতৰত প্ৰৱেশৰ প্ৰয়াস কৰে যদিও আৰক্ষীয়ে পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। পিছত বাহিৰত সমবেত হৈ প্ৰতিবাদকাৰীয়ে খিলঞ্জীয়া বিৰোধী সুৰজিৎ দে'ক গ্ৰেপ্তাৰ কৰক, ইটাচালি আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়াক নিলম্বন কৰক, বিক্ৰী গৈছে ইটাচালি আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া, ৭০ বছৰীয়া দুলু দাস-১৩ বছৰীয়া নাতিনীক ন্যায় দিয়ক, দুলু দাস মাটি-ভেটি সুৰক্ষিত কৰক, সন্দেহজনক নাগৰিক সুৰজিৎ দে'ক গ্ৰেপ্তাৰ কৰক, অনুসূচিত জাতিৰ লোকক সুৰক্ষা দিয়ক আদি শ্ল'গানেৰে পৰিস্থিতি উত্তাল কৰি তোলে। প্ৰায় দুটা ঘণ্টাৰ মূৰকত আৰক্ষীয়ে প্ৰতিবাদকাৰীক ক্ষান্ত কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে থানা ঘেৰাও কাৰ্যসূচিত উপস্থিত থাকি অনুসূচিত জাতি যুৱ সংগ্ৰামী যুৱ পৰিষদৰ সভাপতি সঞ্জীৱ দাসে কয় যে অনুসূচিত জাতিৰ আৰু খিলঞ্জীয়া দুলু দাস আৰু নাতিনীক ১ নৱেম্বৰত হত্যাৰ প্ৰয়াস কৰাৰ পিছতে ৫ নৱেম্বৰত অনুষ্ঠিত এখন সভাত নগাঁৱৰ সহ-আৰক্ষী অধীক্ষক উপস্থিত হৈ ৮ নৱেম্বৰৰ ভিতৰত দুৰ্বৃত্তক গ্ৰেপ্তাৰৰ প্ৰতিশ্ৰুতি দিছিল। প্ৰতিশ্ৰুতি মৰ্মে তিনিদিনৰ ভিতৰত সুৰজিৎ দে'ক গ্ৰেপ্তাৰ কৰিব লাগিছিল। কিন্তু সময় অতিবাহিত হৈ গ'ল যদিও নগাঁও আৰক্ষীয়ে দুৰ্বৃত্ত সুৰজিৎ দেক গ্ৰেপ্তাৰত বিফল হোৱাত পূৰ্বে ঘোষণা কৰা অনুসৰি প্ৰথমে থানা ঘেৰাও কৰিছো আৰু ১১ নৱেম্বৰত নগাঁও চহৰ বন্ধৰ ঘোষণা কৰিছো। ১১ নৱেম্বৰত পুৱা ৫ বজাৰ পৰা আবেলি ৫ বজালৈ নগাঁও চহৰ বন্ধ ঘোষণা কৰিছো। বিভিন্ন জাতি-জনগোষ্ঠীৰ সংগঠনৰ সমৰ্থনত বন্ধ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে বুলিও কয় সঞ্জীৱ দাসে। জানিব পৰা মতে, আজিৰ কাৰ্যসূচীৰ অন্তত ৰাইজে অসম আৰক্ষীৰ সঞ্চালক প্ৰধান জি.পি সিঙক পুনৰ এখন স্মাৰক পত্ৰ প্ৰদান কৰিছে। অসম আৰক্ষী সঞ্চালক প্ৰধান আৰু নগাঁও জিলা আৰক্ষী অধীক্ষকক ইয়াৰ পূৰ্বে ৪ নৱেম্বৰত এখন স্মাৰক পত্ৰ প্ৰদান কৰিছিল ৰাইজে। ৰাইজে স্মাৰক পত্ৰত উল্লেখ কৰা মতে, নগাঁও জিলা আৰক্ষীয়ে ৮ নৱেম্বৰৰ ভিতৰত দুষ্কৃতিকাৰীক গ্ৰেপ্তাৰৰ আশ্বাস দি পূৰণ কৰিব পৰা নাই। কিয়নো আৰক্ষী দুষ্কৃতিকাৰীৰ সৈতে মিলি আছে। দুষ্কৃতিকাৰীৰ ইছাৰাত চলে ইটাচালি আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া অজিত সোণোৱাল, তদন্তকাৰী বিষয়া সুমিত্ৰা শইকীয়া। দুষ্কৃতিকাৰীৰ পকেটত সোমাই থকা বিষয়া অজিত সোণোৱাল, সুমিত্ৰা শইকীয়াক চাকৰিৰ পৰা নিলম্বন কৰাৰ দাবী জনোৱা হৈছিল যদিও নিলম্বন কৰা নহ'ল। অহা ২৪ ঘণ্টাৰ ভিতৰত দুষ্কৃতিকাৰী সুৰজিৎ দে'ক গ্ৰেপ্তাৰ কৰিব নোৱাৰিলে নগাঁও চহৰ বন্ধ দিয়াৰ সিদ্ধান্ত লোৱা হয়। ১ নৱেম্বৰৰ নিশা নগাঁও জিলাৰ আমতল ডিমৰুগুৰিৰ অনুসূচিত জাতিৰ ৭০ বছৰীয়া দুলু দাস আৰু ১৩ বছৰীয়া নাতিনীক দলবদ্ধ আক্ৰমণ কৰি হত্যাৰ প্ৰয়াস কৰা হৈছিল। ১৩ বছৰীয়া নাতিনীক গণ ধৰ্ষণ কৰি ৰাস্তাত মৃতদেহ পেলাই থোৱাৰ ভাবুকি দি থৈ যায়। দুলু দাস আৰু নাতিনীক বৰ্বৰভাৱে প্ৰহাৰ কৰি তেওঁলোকে বসবাস কৰা থকা মাটিখিনি, ঘৰটো এৰি যাবলৈ ধমক দিয়ে। ইটাচালি আৰক্ষী চকীত এজাহাৰ দাখিল কৰা হৈছে যদিও অপৰাধী আজিও মুকলি আকাশৰ তলত। স্থানীয় আৰক্ষীৰ দ্বাৰা অপৰাধীৰ বিৰুদ্ধে কোনো ব্যৱস্থা লোৱা হোৱা নাই। আৰক্ষীয়ে ভয়ংকৰ দুষ্কাৰ্য সংঘটিত কৰা অভিযুক্তসকলক ৰক্ষণা-বেক্ষণ দিছে যদিও অনুসূচিত জাতিৰ পৰিয়ালটোক সুৰক্ষা দিয়াত আৰক্ষী ব্যৰ্থ হৈছে। অনুসূচিত জাতিৰ পৰিয়ালক হত্যাৰ প্ৰয়াস কৰা মুখ্য অপৰাধী সুৰজিৎ দে'ক পুনৰ ২৪ ঘণ্টাৰ ভিতৰত গ্ৰেপ্তাৰৰ প্ৰয়াস কৰিবলৈ দাবী উত্থাপন কৰিছে ৰাইজে। আৰক্ষীয়ে অপৰাধী পক্ষক সুৰক্ষা দি অনুসূচিত জাতিৰ পৰিয়ালটোক নিৰাপত্তাহীন কৰিছে। অভিযুক্তক গ্ৰেপ্তাৰ কৰি উচিত শাস্তিৰ ব্যৱস্থা কৰি দৰিদ্ৰ পৰিয়ালটোক ন্যায় দিয়ক। দৰিদ্ৰ পৰিয়ালটোৰ প্ৰতিগৰাকী সদস্যৰ সুৰক্ষা আৰু ভূমিখিনিৰ সুৰক্ষাৰ ব্যৱস্থা কৰক। কিয়নো দুবৃত্তই পূৰ্বৰে পৰা বৃদ্ধা আৰু নাতিনীক মানসিক-শাৰীৰিকভাৱে নিৰ্যাতন চলাই আহিছে। শিলগুটি নিক্ষেপ, বৃদ্ধাৰ চৌহদত জাৱৰ পেলোৱা, জুপুৰীটোৰ বেৰ ভাঙি নিৰ্যাতন চলাই আহিছে আৰু ভূমিখিনি এৰি যাবলৈ ভাবুকি দি আহিছে বুলিও কয় ৰাইজে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# কোচিং চেণ্টাৰত 'নীট'ৰ ছাত্ৰীক ধৰ্ষণ

কানপুৰৰ এটা কোচিং চেণ্টাৰৰ দুজন শিক্ষকে নীটৰ এগৰাকী ছাত্ৰীক ধৰ্ষণ কৰাৰ অভিযোগে তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে সমগ্ৰ দেশত। অভিযোগ অনুসৰি, বিগত কেইবামাহো ধৰি ছাত্ৰীগৰাকীক ধৰ্ষণ কৰি ব্লেকমেইল কৰি আহিছিল শিক্ষক দুজনে। শেহতীয়াকৈ কোচিং চেণ্টাৰটোৰ আন এগৰাকী শিক্ষাৰ্থীৰ সৈতে নিৰ্যাতনৰ অভিযোগ উত্থাপন হোৱাৰ পিছতে পোহৰলৈ আহে এই পাষবিক কাণ্ড। ইফালে এই ধৰ্ষণকাণ্ড সন্দৰ্ভত ভুক্তভোগী ছাত্ৰীগৰাকীয়ে আৰক্ষীৰ ওচৰত এজাহাৰ দাখিল কৰাৰ পিছতে আৰক্ষীয়ে কোচিং চেণ্টাৰৰ চিচিটিভি ফুটেজ পৰীক্ষা কৰি অভিযোগৰ সত্যসত্যতা পৰীক্ষা কৰে। ইয়াৰ পিছতে আৰক্ষীয়ে এজন এজনকৈ গ্ৰেপ্তাৰ কৰে দুয়োজন অভিযুক্ত শিক্ষকক। আৰক্ষীৰ সূত্ৰ অনুসৰি, চলিত বৰ্ষৰ আৰম্ভণিতে কানপুৰৰ কোচিং চেণ্টাৰটোত নামভৰ্তি কৰিছিল নীটৰ ছাত্ৰীগৰাকীয়ে। অভিযোগ অনুসৰি, কোচিং চেণ্টাৰটোৰ জীৱবিজ্ঞানৰ শিক্ষকজনে ছাত্ৰ-ছাত্ৰীসকলক ঘৰত পাৰ্টি দিব বুলি কৈ ভুক্তভোগী ছাত্ৰীগৰাকীক নিজৰ ফ্লেটলৈ মাতি নিছিল। কিন্তু ছাত্ৰীগৰাকী শিক্ষকজনৰ ফ্লেটত উপস্থিত হোৱাৰ সময়ত তাত নাছিল আন কোনো ছাত্ৰ-ছাত্ৰী অথবা শিক্ষক। ছাত্ৰীগৰাকীয়ে এজাহাৰত উল্লেখ কৰা মতে, লম্পট শিক্ষকজনে তেওঁৰ ফ্লেটত ছাত্ৰীগৰাকীক পানীয়ৰ সৈতে ড্ৰাগছ মিহলাই খুৱাই ধৰ্ষণকাণ্ড সংঘটিত কৰে আৰু ইয়াৰ ভিডিঅ'ও প্ৰস্তুত কৰে। ভুক্তভোগীয়ে লগতে অভিযোগ কৰা মতে, লম্পট শিক্ষকজনে সেই ভিডিঅ'ৰে ব্লেকমেইল কৰি বিগত কেইবামাহো ধৰি ধৰ্ষণ কৰি আহিছিল ছাত্ৰীগৰাকীক। আনকি নিজৰ ফ্লেটত আৱদ্ধ কৰিও ৰখা হৈছিল তেওঁক। শিক্ষকজনৰ ফ্লেটতে কোচিং চেণ্টাৰটোৰ কেমেষ্ট্ৰীৰ এজন শিক্ষকেও ধৰ্ষণকাণ্ড সংঘটিত কৰাৰ অভিযোগ কৰে ভুক্তভোগীয়ে। তেওঁৰ অভিযোগৰ ভিত্তিতে ইতিমধ্যে আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে অভিযুক্ত দুয়োজন শিক্ষকক। এই ঘটনা পোহৰলৈ অহাৰ পিছতে কোচিং চেণ্টাৰ বা তেনে শিক্ষা প্ৰতিষ্ঠানত ছাত্ৰ-ছাত্ৰীৰ নিৰাপত্তাক লৈ প্ৰশ্নৰ উত্থাপন হৈছে। এই ঘটনাটোৱে এতিয়া উত্তাল কৰি তুলিছে সমগ্ৰ উত্তৰ প্ৰদেশৰ ৰাজনীতি।

প্ৰথম পৃষ্ঠাৰ পৰা...

# হৃদয় বিদাৰক! কপলিঙৰ চেপাত

সলনি কৰিবলৈ কপলিং খুলি থকাৰ সময়তে ইঞ্জিন আৰু ডবাৰ মাজত চেপা খাই প্ৰাণ হেৰুৱাবলগীয়া হয় এজন ৰে'ল কৰ্মচাৰীয়ে। বিহাৰৰ বেগুছৰাইৰ বৰাউনি ষ্টেচনত সংঘটিত এই ঘটনাত নিহত ৰে'ল কৰ্মচাৰীজনৰ নাম অমৰ কুমাৰ ৰাও বুলি জানিব পৰা গৈছে। উল্লেখ্য যে, সোণেপুৰ ৰে'ল বিভাগত কৰ্মৰত আছিল অমৰ কুমাৰ ৰাও। শনিবাৰে বাৰাউনী ষ্টেচনত লক্ষ্ণৌ-বাৰাউনী এক্সপ্ৰেছ ৰে'লখন উপস্থিত হোৱাৰ পিছত ৰে'লখনৰ ইঞ্জিনটো খুলি পৃথক কৰাৰ দায়িত্ব লাভ কৰিছিল অমৰে। কিন্তু ইঞ্জিন আৰু ডবাৰ মাজৰ কাপলিংটো খুলি থকাৰ সময়তে হঠাতে ইঞ্জিনটো পিছুৱাই যোৱাত মাজত আৱদ্ধ হৈ পৰে ৰে'ল কৰ্মচাৰীজন। তেওঁৰ আৰ্তনাদ শুনি ষ্টেচনত কৰ্মৰত আন আন ৰে'ল কৰ্মচাৰীসকল আগুৱাই আহি সহায় কৰালৈকে বহু সময়ত ইঞ্জিন আৰু ডবাৰ মাজত চেপা খাই ৰৈ থাকিবলগীয়া হয় অমৰ। পৰৱৰ্তী সময়ত তেওঁক উদ্ধাৰ কৰি হাস্পতাললৈ প্ৰেৰণ কৰা হয় যদিও চিকিৎসকে মৃত ঘোষণা কৰে। ইফালে এই মৰ্মান্তিক ঘটনাৰ কেইবাটাও ভিডিঅ' ভাইৰেল হৈ পৰিছে ছ'চিয়েল মিডিয়াত। কাৰ গাফিলতিৰ বাবে ৰে'ল কৰ্মচাৰীজনে প্ৰাণ হেৰুৱাবলগীয়া হ'ল সেই প্ৰশ্নও উত্থাপন কৰিছে নেটিজেনে। ঘটনা সন্দৰ্ভত ইতিমধ্যে ৰে'ল বিভাগে বিভাগীয় তদন্তৰ নিৰ্দেশ প্ৰদান কৰিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# চামগুৰিত দুৰ্বৃত্তৰ গুলীচালনা

সিমানেই নিৰ্বাচনী হিংসাই ভয়ংকৰ ৰূপ ধাৰণ কৰা পৰিলক্ষিত হৈছে। ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই যোৱা কালি চামগুৰিৰ উপ-নিৰ্বাচনৰ বিজেপি প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাৰ হৈ নিৰ্বাচনী প্ৰচাৰ কৰিবলৈ আহি নিৰ্বাচনী হিংসা নকৰি ভোটৰ জৰিয়তে প্ৰত্যুত্তৰ দিবলৈ ভোটাৰ ৰাইজক আহ্বান জনাই যদিও চামগুৰিত বৰ্তমানো নিৰ্বাচনী হিংসা অব্যাহত আছে। চামগুৰিৰ উপ-নিৰ্বাচনত বিজেপি আৰু কংগ্ৰেছ দলৰ সমৰ্থকৰ মাজত প্ৰতিদিনাই সংঘটিত মাৰপিটৰ ঘটনাই জনসাধাৰণৰ মনত গভীৰ উৎকণ্ঠা, শংকা বৃদ্ধি কৰিছে। কংগ্ৰেছ আৰু বিজেপিৰ মাৰপিটৰ ঘটনাত আনকি কেইবাজনো সাংবাদিকেও আক্ৰমণৰ বলি হ'বলগীয়া হৈছিল। বহুকেইজন ৰাজনৈতিক দলৰ কৰ্মী ঘূণীয়া হোৱাৰ লগতে এজন বিজেপি কাৰ্যকৰ্তাই সংঘৰ্ষৰ বলি হৈ মৃত্যুক সাৱটিবলগীয়া হৈছে এইবাৰ চামগুৰিৰ উপ-নিৰ্বাচনত। কালি সন্ধিয়া সমষ্টিৰ শ'লমাৰীত সংঘটিত বিজেপি আৰু কংগ্ৰেছ দলৰ মাজত সংঘটিত সংঘৰ্ষত দুয়ো দলৰ কমেও সাতজন লোক গুৰুতৰ ভাবে আহত হৈছিল।ইয়াৰ উপৰিও ১৫ অক্টোবৰৰ পৰাই সৰু-বৰ কেইবাটাও বিক্ষিপ্ত মাৰপিটৰ ঘটনা সংঘটিত হৈছে। আনহাতে, কালি নিশাও চামগুৰি থানাৰ অন্তৰ্গত বাজিয়াগাঁৱত দুখন নিৰ্বাচনত ব্যৱহৃত আৰু দুখন নিজা ঘৰৰ বিলাসী বাহন দুষ্কৃতিকাৰীয়ে ভাঙি পেলোৱাৰ লগতে আমনিতো এখন বিলাসী বাহন ক্ষতিগ্ৰস্ত কৰে। বাজিয়াগাঁৱৰ ওচমান আলী নামৰ কংগ্ৰেছৰ নেতাজনৰ গৃহৰ চৌহদত দুষ্কৃতিকাৰী প্ৰৱেশ কৰি চাৰিখন বিলাসী বাহন ভাঙাৰ লগতে ঘৰৰ খিৰিকীৰ আইনা ভাঙি ক্ষতিগ্ৰস্ত কৰে। পৰৱৰ্তী সময়ত চামগুৰি আৰক্ষী উপস্থিত হৈ তদন্ত আৰম্ভ কৰে। আজি পুৱা চামগুৰিৰ কংগ্ৰেছৰ প্ৰাৰ্থী তানজিল হুছেইন ওচমান আলীৰ বাসগৃহত উপস্থিত হৈ এয়া বিজেপিৰ গুণ্ডাই সংঘটিত কৰিছে বুলি অভিযোগ কৰে। আমনিৰ সন্তোষ গুপ্তা নামৰ কংগ্ৰেছ নেতাজনৰ বাসগৃহৰ চৌহদত সোমাই দুষ্কৃতিকাৰীয়ে এখন বিলাসী বাহন ক্ষতিগ্ৰস্ত কৰে বুলি কংগ্ৰেছী নেতাজনে অভিযোগ কৰিছে। ইপিনে, চামগুৰি উপ-নিৰ্বাচনৰ বিজেপি প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাই চামগুৰিত বিজেপিৰ উত্থানত শংকিত হৈ ৰকিবুল হুছেইনৰ প্ৰত্যক্ষ প্ৰৰোচনাতে হিংসাত্মক ঘটনা সমূহ সংঘটিত হৈছে বুলি সংবাদ-মাধ্যমৰ আগত অভিযোগ কৰে। বিজেপি প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাই কয়, ৰকিবুল হুছেইন ডাঙৰীয়াই পুৰণা সেই হিংসাত্মক ঘটনা সমূহৰ পুনৰাবৃত্তি কৰিবলৈ বিচাৰিছে। আজিৰ দিনত কংগ্ৰেছ চামগুৰিত হাৰিছে। হতাশাত ভুগি কংগ্ৰেছে এনেধৰণৰ ঘটনা বোৰ সংঘটিত কৰিছে। বিজেপি কৰ্মীয়ে হওঁক অথবা কংগ্ৰেছ কৰ্মীয়েই হওঁক সকলোৰে জীৱনৰ মূল্য আছে। তানজিল হুছেইন ডাঙৰীয়াক মই অনুৰোধ জনাইছো যিবোৰ হিংসাত্মক ঘটনাৰ আশ্ৰয় লৈছে সেয়াই সাধাৰণ জনগণক ক্ষতি কৰি আছে। আপুনি মই যুৱপ্ৰজন্মৰ ৰাজনীতিবিদ। আপুনি, মই সংযমী হৈ ৰাজনীতি পৰিচালনা কৰিব লাগিব। মাৰপিটৰ হিংসাত্মক ঘটনাত জড়িত ব্যক্তিক আৰক্ষীয়ে আটক কৰিলেও ৰকিবুল হুছেইন ডাঙৰীয়াই নিৰ্দোষী বুলি কয়। পাছত দেখা গ'ল যিকেইটাক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল সেয়া গৰু চোৰকে ধৰি চোৰাং অস্ত্ৰ-শস্ত্ৰৰ অবৈধ ব্যৱসায়টো জড়িত দুৰ্ধৰ্ষ অপৰাধী। ৰকিবুল হুছেইনৰ দিনত বহু মানুহৰ ঘৰত অবৈধ চোৰাং অস্ত্ৰ-শস্ত্ৰ থকাৰ অভিযোগ পোৱা গৈছিল। সেয়া সকলোৱে জানে। কালিৰ শ'লমাৰীত সংঘটিত ঘটনাত কংগ্ৰেছৰ নিৰ্বাচনী প্ৰচাৰৰ গাড়ীত অস্ত্ৰ-শস্ত্ৰৰে সজ্জিত গুণ্ডাবাহিনীও আছিল। গণ ভিত্তি হেৰুৱাই কংগ্ৰেছে অস্ত্ৰ-শস্ত্ৰ, বাহুবলৰ আশ্ৰয় লৈছে। বাহুবল, অস্ত্ৰ-শস্ত্ৰৰ ৰাজনীতি এইবাৰ চামগুৰিত নহ'ব বুলি তেওঁ মন্তব্য কৰে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# হিমন্ত বিশ্ব শৰ্মা 'ফ্লাইঅভাৰ চিএম'!

ঘোলা কৰিছে যোৰহাটৰ সাংসদ গৌৰৱ গগৈয়ে। শাসকীয় বিজেপি দলক প্ৰত্যাহ্বান জনাই বিহালী সমষ্টিত গৌৰৱ গগৈয়ে নেৰানেপেৰা প্ৰচাৰ চলাই গৈছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বিহালী সমষ্টিত উপ-নিৰ্বাচনৰ প্ৰচাৰ চলাই অহাৰ পাছতে আজিও গৌৰৱ গগৈয়ে কেইবাখনো সভাত অংশ লয়। সভাত অংশ লৈ ভাষণৰ জৰিয়তে বিজেপি আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক তীব্ৰ সমালোচনা কৰিছে। ১৩ নৱেম্বৰৰ ভোটগ্ৰহণ হ'বলগীয়া বিহালীত বিৰোধী দলৰ নেতা দেৱব্ৰত শইকীয়া, ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইন আৰু যোৰহাটৰ সাংসদ গৌৰৱ গগৈয়ে প্ৰচাৰ চলাইছে। সভাত প্ৰতিগৰাকী কংগ্ৰেছ নেতাই বিজেপি নেতৃত্বাধীন ৰাজ্য চৰকাৰক সমালোচনা কৰে। গৌৰৱ গগৈয়ে ৰাজ্যজুৰি উৰণীয়া সেঁতু নিৰ্মাণৰ ক্ষেত্ৰত অত্যাধিক মনোযোগ দিয়া বুলি কৈ মুখ্যমন্ত্ৰীক 'ফ্লাইঅভাৰ চিএম' বুলি অভিহিত কৰে। যোৰহাট সমষ্টিৰ সাংসদগৰাকীয়ে মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন কৰি কয় যে উৰণীয়া সেঁতুৰ প্ৰকল্পসমূহৰ দ্বাৰা চৰকাৰে কেইজনমান নিৰ্বাচিত ঠিকাদাৰক লাভান্বিত কৰিছে। কোনেও ফ্লাইঅভাৰ বিচৰা নাছিল। গুৱাহাটীৰ দীঘালীপুখুৰীত কোনেও সেঁতু বিচৰা নাছিল। কিন্তু কেৱল তিনি-চাৰিজন ঠিকাদাৰক লাভান্বিত কৰিবলৈ মুখ্যমন্ত্ৰীয়ে উৰণীয়া সেঁতু নিৰ্মাণ কৰি আছে। ২০২৬ চনৰ বিধানসভা নিৰ্বাচনত অসমৰ ৰাইজে ভোটৰ জৰিয়তে ইমান দীঘলীয়া উৰণীয়া সেঁতু বনাব যে মুখ্যমন্ত্ৰীক বিতাড়িত কৰা হ'ব। বিৰোধী দলৰ নেতা দেৱব্ৰত শইকীয়াই উপ-নিৰ্বাচনত কংগ্ৰেছে পাঁচটা সমষ্টিৰ ভিতৰত চাৰিটা সমষ্টিত বিজেপিক প্ৰত্যাহ্বান জনাবলৈ সক্ষম হোৱা বুলি দাবী কৰিছে। তেওঁ কয় যে আমি নিশ্চিত যে জনসাধাৰণৰ সমৰ্থনত আমি এই সমষ্টিসমূহত বিজেপিক প্ৰত্যাহ্বান জনাইছো। মুখ্যমন্ত্ৰীয়ে ব্লেকমেইলিংৰ ৰাজনীতিৰ আশ্ৰয় লৈছে। এয়া সঠিক নহয় বুলিও কয় বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ছত্তীশগড়ত নিহত ৩ মাওবাদী

সফলতা লাভ কৰিবলৈ সক্ষম হৈছে আৰক্ষীয়ে। ৰাজ্যখনত মাওবাদীৰ বিৰুদ্ধে চৰকাৰে কঠোৰ পদক্ষেপ গ্ৰহণ কৰাৰ সময়তে এইবাৰ বিজাপুৰৰ বনাঞ্চলত নিৰাপত্তাৰক্ষীৰে সংঘৰ্ষত নিহত হয় পুনৰ তিনিজন মাওবাদী। আৰক্ষীৰ সূত্ৰ অনুসৰি, শুকুৰবাৰে পুৱাৰে পৰা ছত্তীশগড়ৰ চুকমা আৰু বিজাপুৰ সীমান্তৰ উছুৰ-বাছাগুৱা আৰু পামেদ অঞ্চলত মাওবাদী আৰু নিৰাপত্তাৰক্ষীৰ মাজত সংঘৰ্ষ আৰম্ভ হয়। এই সংঘৰ্ষৰ সময়তে নিৰাপত্তাৰক্ষীৰ গুলীত কমেও তিনিজন মাওবাদী নিহত হোৱা বুলি আৰক্ষীয়ে সদৰী কৰিছে। বিজাপুৰৰ আৰক্ষী অধীক্ষক জিতেন্দ্ৰ কুমাৰ যাদৱে জানিবলৈ দিয়া মতে, শুকুৰবাৰে চি আৰ পি এফৰ বিশেষ দল 'কোব্ৰা', সেনা আৰু আৰক্ষীৰ বিশেষ টাস্ক ফ'ৰ্চে এক যৌথ অভিযান চলায়। পুৱা প্ৰায় ১১ বজাত দুয়োপক্ষৰ মাজত বন্দুক যুদ্ধ আৰম্ভ হয়। দীৰ্ঘ সময় ধৰি চলা এই সংঘৰ্ষত নিহত হয় তিনিজন মাওবাদী। প্ৰসংগক্ৰমে, পৰিসংখ্যা অনুসৰি ছত্তীশগড়ত বিগত ১০ বছৰত মাওবাদীৰ হাতত ৬৬১৭ জন আৰক্ষী, নিৰাপত্তাৰক্ষী আৰু সাধাৰণ নাগৰিকে প্ৰাণ হেৰুৱাবলগীয়া হৈছে। কিন্তু চৰকাৰী তথ্য অনুসৰি ৰাজ্যখনত ২০২৩ চনৰ পৰা মাওবাদীৰ দ্বাৰা সংঘটিত হিংসাৰ ঘটনা ৭২ শতাংশ হ্ৰাস পাইছে। সমান্তৰালভাৱে মৃত্যুৰ সংখ্যাও প্ৰায় ৮৬ শতাংশ হ্ৰাস পাইছে। শেহতীয়াকৈ পিটিআইৰ এক প্ৰতিবেদন অনুসৰি চলিত বৰ্ষত এতিয়ালৈকে মাওবাদী আক্ৰমণত ১৭ জন আৰক্ষী জোৱান আৰু ৫০ জনতকৈ অধিক সাধাৰণ নাগৰিকে প্ৰাণ হেৰুৱাইছে। ইয়াৰ বিপৰীতে ২০২৪ চনত ২৫০ জনতকৈ অধিক মাওবাদী নিহত হৈছে আৰক্ষী-নিৰাপত্তাৰক্ষীৰ সংঘৰ্ষত। ইয়াৰোপৰি এই সময়ছোৱাত মাওবাদীৰ সৈতে জড়িত ৮১২ জন লোকক আটক কৰিছে আৰক্ষীয়ে আৰু আত্মসমৰ্পণ কৰিছে ৭২৩জন মাওবাদীয়ে। ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰে মাওবাদীৰ সৈতে মোকাবিলা কৰিবলৈ বিভিন্ন পৰিকল্পনা ৰচনা কৰিবলৈ আৰম্ভ কৰিছে। মাওবাদীৰ বিৰুদ্ধে অভিযান আৰম্ভ কৰি কেন্দ্ৰীয় চৰকাৰে কয় যে মাওবাদীক দৃষ্টান্তমূলক শাস্তি দিয়াৰ উপৰিও আত্মসমৰ্পণ নীতিতো পৰিৱৰ্তন হ'ব। লক্ষণীয় যে, অনাগত দিনত দেশৰ পৰা মাওবাদক সম্পূৰ্ণৰূপে নিৰ্মূল কৰিবলৈ বিশেষ লক্ষ্য নিৰ্ধাৰণ কৰাৰ কথা পুনৰ দোহাৰিছে কেন্দ্ৰীয় চৰকাৰে। চৰকাৰৰ এই ঘোষণা কিমানদূৰ কাৰ্যকৰী হয় সেয়া এতিয়াই ক'ব পৰা নাযাব যদিও ইয়াৰ বাবে অধিক পৰিকল্পনাৰ প্ৰয়োজন বুলি বিশেষজ্ঞসকলে কৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# শংকৰদেৱক হিমন্তই অপমান কৰিছে!

বিস্ফোৰক মন্তব্য অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰাৰ। কীৰ্তনৰ পদ ব্যাখ্যা কৰি বৰাই শ্ৰীমন্ত শংকৰদেৱে "গাৰোৰ গোবিন্দ, মিৰিৰ পৰমানন্দ, ভোটৰ দামোদৰ, নগাৰ নৰোত্তম আৰু মুছলমানৰ ছান্দসাইক লৈ বৃহত্তৰ অসমীয়া সমাজ গঢ় দিছিল। কিন্তু কেৱল ক্ষমতাৰ ৰাজনীতিৰ বাবে হিমন্ত বিশ্ব শৰ্মাই আজি সকলোকে ভাগ ভাগ কৰিছে। বৰাই কয় যে বিজেপিয়ে শিলগুটি আৰু লাঠিৰে গাড়ী ভাঙি আক্ৰমণ কৰি থাকিলেও কংগ্ৰেছৰ মানুহ ঠাণ্ডা নহয়। মই কংগ্ৰেছৰ সভাপতি হিচাপে গৌৰৱ কৰোঁ যে বিজেপিৰ যিমানে স্পীড বেকাৰ বাঢ়িছে সিমানে কংগ্ৰেছৰ গতি বাঢ়িছে। তাঞ্জিল জিকা-হৰাতো ডাঙৰ কথা নহয়। কিন্তু হিমন্ত বিশ্ব শৰ্মাই চামগুৰিৰ পৰা গোটেই অসমৰ মানুহৰ ধমকি আৰু ভয় খুৱাবলৈ প্ৰয়াস কৰিছে। মুখ্যমন্ত্ৰীয়ে কৈছে মোৰ লগত বন্দুক আছে, আৰক্ষী আছে, লাঠি আৰু শিলগুটি আছে বুলি জনাব খুজিছে। যদি চামগুৰিত কংগ্ৰেছ হাৰি যায় তেন্তে গোটেই অসমত কংগ্ৰেছ হাৰি যাব। চামগুৰিত কংগ্ৰেছ আগবাঢ়ি গ'লে অসমত বিজেপিৰ দাদাগিৰি বাঢ়ি যাব। মোৰ দলত ৩৫ লাখ কৰ্মী আছে। লোকসভা নিৰ্বাচনত ৭৬ লাখ ভোট পাইছো। সেই ৭৬ লাখ মানুহে চামগুৰিলৈ ছাই আছে। মনোনয়ন দাখিলৰ দিনা মই থকাৰ সময়তে বিজেপিৰ গুণ্ডাই আক্ৰমণ কৰিবলৈ আহিছিল। তেতিয়া মই নিজেই গাড়ীৰ পৰা নামি গৈ তাঞ্জিলৰ গাত হাত নিদিবলৈ কৈছিলো। তাঞ্জিলক ৰৈ থাকিব নিদি কংগ্ৰেছক আগুৱাই নিব লাগিব। এই যুঁজ অসমীয়াৰ অস্তিত্ব ৰক্ষা যুঁজ। মহান মহান পুৰুষে যুঁজাৰ যি ৰাস্তা দেখুৱাই গৈছে সেই ৰাস্তাৰে গৈ যুঁজিব লাগিব। বিগত দিনত চামগুৰিৰ মানুহে লোৱাৰ দৰে অনাগত দিনত ইয়াতকৈ আৰু অধিকা ভূমিকা গ্ৰহণ কৰি ১৩ নৱেম্বৰত কংগ্ৰেছক ভোট দিবলৈ আহ্বান জনাইছে ভূপেন বৰাই। সময় এয়া সিদ্ধান্ত লোৱাৰ। মূল্যবৃদ্ধি ৰোধ কৰিব পৰা নাই। মহিলাক লাখপতি মহিলা সজাম বুলি কৈছিল। মহিলাসকলক দুই হাজাৰ টকা দি পাচবুক খুলিব দিছিল। হিমন্ত বিশ্ব শৰ্মাই কৈছিল যে মোবাইলত টিৰিংকৈ শব্দ ওলালে গম পাব যে মই ১০ হাজাৰ টকা ভৰাই দিছো। কিন্তু হিমন্ত বিশ্ব শৰ্মাই প্ৰকৰতাৰণা কৰিছে। মই গোটেই অসমৰ মহিলাৰ হৈ চামগুৰিৰ মহিলাক এই কথা মনত পেলাই দিছো। লাখপতী হোৱাৰ আশাত দুই হাজাৰ টকা দি পাচবুক খোলা মহিলাই গাৰুৰ তলত মোবাইল থৈ কেতিয়াও মেছেজ আহিব তাৰ বৈ অপেক্ষা কৰি আছে। ডাবল ইঞ্জিনৰ চৰকাৰে আমাক ডাবল প্ৰতাৰণা কৰিছে। মুখ্যমন্ত্ৰীক আক্ৰমণ কৰি ভূপেন কুমাৰ বৰাই এজন চিএমে দিয়া হাৰাশাস্তিৰ বাবে চামগুৰিৰ সমষ্টিৰ হাজাৰ হাজাৰ চিএমে হিমন্ত বিশ্ব শৰ্মাক বগৰাই দিব লাগিব বুলি কয়। তাঞ্জিল হুছেইন জিকাৰ পাছত ২০২৬ চনত বিজেপিক দিছপুৰৰ পৰা উঘালি ব্ৰহ্মপুত্ৰত পেলাই দিম। গণ্টি কৰা ৰাখত পোন্ধাৰ মাহৰ পাছত পুনৰ নিৰ্বাচন হ'ব। এই নিৰ্বাচনত তাঞ্জিল জিকিলে ১৫ মাহৰ পিছত দিছপুৰত কংগ্ৰেছৰ চৰকাৰ হ'ব আৰু চামগুৰিত কংগ্ৰেছৰ মন্ত্ৰী হ'ব। ৰাজনীতিত স্বাস্থত থাকে। কি পাম বুলি ভবা হয়। তাতকৈ ডাঙৰ স্বাৰ্থ তাকে। আমাৰ দলৰ স্বাস্থ তাকে কংগ্ৰেছৰ প্ৰতি। মই কি পাম, তাঞ্জিলৰ কি হ'ব বা কংগ্ৰেছৰ কি হ'ব তাতকৈ ডাঙৰ কথা হ'ল জাতিৰ স্বাৰ্থ। অসমীয়া জাতি সত্তা হিমন্ত বিশ্ব শৰ্মাই ধ্বংস কৰিব বিচাৰিছে। হিমন্ত বিশ্ব শৰ্মাই কেৱল টকা গণ্টি কৰি থাকে। বন্ধা কৰিব দৰে এটা এটা পাত মেৰিয়াই বন্ধা কবি হয়। অসমীয়া জাতিৰ পাতৰ দৰে অসমত বিভিন্ন জাতি-জনগোষ্ঠী বান্ধ খাই আছো। হিমন্তই এই কাঠামো ধ্বংস কৰিব খুজিছে। কংগ্ৰেছ দুৰ্বল হ'লে কৃষক দুৰ্বল হয়। খাটিখোৱা মানুহ দুৰ্বল হয়। ১৬ হাজাৰ চাকৰিৰ বাবে আজি ৩২ লাখ লোকে নিযুক্তি পৰীক্ষা দিছে। বিজেপিৰ নিবনুৱাৰ কথা নকয়। কেৱল বিজেপিয়ে এটা কথাই কয় সেয়া হৈছে মিএগ্ৰা, মিএগ্ৰা আৰু মিএগ্ৰা। হিন্দুৰ নামত ভোট নিদিব। হিমাচলত শতকৰা ৯৬ জন লোকেই হিন্দু। কিন্তু বিজেপিক দলিয়াই কংগ্ৰেছক তাৰ মানুহে চৰকাৰ বনাবলৈ সুবিধা দিয়ে। তেলেংগনাক ৮৬ শতাংশ লোক হিন্দু। কিন্তু তেলেংগানাৰ মানুহে কংগ্ৰেছক ভোট দি চৰকাৰ গঠনৰ সুবিধা কৰি দিছে। তেলেংগানাত বিজেপিৰ পদুম ফুলৰ শিপা উঘালি পেলাইছে। ৰাইজে হিন্দু-মুছলমান বিচৰা নাই। অসমৰ মানুহে সংস্থাপন বিচাৰিছে, দৰৱৰ দাম কমোৱাতো বিচাৰিছে, সামগ্ৰীৰ দাম কমোৱাতো বিচাৰিছে, বিদ্যুৎ বিল কমোৱাতো বিচাৰিছে, মূল্যবৃদ্ধি ৰোধ কৰাটো, ভাল স্কুল, শইক্ষা, চিকিৎসক, বিশুদ্ধ খোৱাপানী বিচাৰিছে। কিন্তু হিমন্ত বিশ্ব শৰ্মাই হিন্দু মুছলমানৰ মাজত কাজিয়া লগাতো বিচাৰিছে। তেনেকৈয়ে ৰাজনীতি কৰিব যাব খজিছে। অসমৰ মানুহে তেনেকুৱা হ'বলৈ নিদিয়ে। ইফালে, আজি বিহালীত সংখ্যালঘু মুছলমান ৰাইজক লৈ প্ৰতাৰণাৰ ৰাজনীতি আৰম্ভ কৰিছে বিধায়ক পদ্ম হাজৰিকাই। মুছলমান সংখ্যালঘুক গুলীয়াবলৈ হাতত বন্দুক লৈ যোৱা পদ্ম হাজৰিকাই আজি মুছলমানৰ ভোট বিচাৰি বিহালীৰ বাঘমাৰীত ৰাজনৈতিক সভা অনুষ্ঠিত কৰে। সংখ্যালঘু ৰাইজক বিজেপি চৰকাৰে সুৰক্ষা প্ৰদান কৰি আছে আৰু বিনামূলীয়া চাউলৰ যোগান ধৰি আছে বুলি উল্লেখ কৰি পদ্ম হাজৰিকাই ভীমাজুলি, চাউলধোৱা এলেকাত উগ্ৰপন্থীৰ সংহাৰৰ কথা উল্লেখ কৰে। হাজৰিকাই আনকি মহালক্ষ্মী চাহ বাগিচাৰ মালিক আজিজুৰ ৰহমানৰ হত্যাকাণ্ডৰ সময়ত কংগ্ৰেছে কিয় ব্যৱস্থা গ্ৰহণ নকৰিলে বুলিও প্ৰশ্ন উত্থাপন কৰে। কংগ্ৰেছৰ ১৫ বছৰীয়া শাসনত সংখ্যালঘু ৰাইজ নিৰাপত্তাহীনতাত আছিল বুলি অভিযোগ কৰি পদ্ম হাজৰিকাই কয় যে বিজেপি চৰকাৰে সংখ্যালঘু ৰাইজক সুখে-শান্তিৰে থকাৰ ব্যৱস্থা কৰি দিছে। উল্লেখ্য যে, কিছুদিন পূৰ্বে বিহালী সমষ্টিৰ বাঘমাৰী এলেকাত পদ্ম হাজৰিকাই একাংশ চৰকাৰী এজেণ্টক নিয়োগ কৰি সংখ্যালঘু ৰাইজক উচ্ছেদ কৰা হ'ব বুলি প্ৰচাৰ চলাইছিল। উচ্ছেদ বন্ধ কৰিবলৈ হ'লে বিজেপিৰ পদুম ফুলত ভোট দিব লাগে বুলি হাজৰিকাই নিজা এজেণ্টৰ দ্বাৰা গাঁৱে গাঁৱে বাৰ্তা দিছিল। এনে পৰিপ্ৰেক্ষিততে বাঘমাৰী এলেকাত থকা প্ৰায় ২০ হাজাৰ সংখ্যালঘু ৰাইজে কংগ্ৰেছ প্ৰাৰ্থী জয়ন্ত বৰাৰ পৰিৱৰ্তে বিজেপি প্ৰাৰ্থী দিগন্ত ঘাটোৱাৰক ভোট দিয়াৰ কথা ভাবিবলৈ বাধ্য হয়। ৰাইজৰ এনে সিদ্ধান্তৰ তাৎক্ষণিক প্ৰতিফলন হিচাপে আজি সাংসদ ৰকিবুল হুছেইনক বিহালীৰ বাঘমাৰী এলেকাৰ পৰা সংখ্যালঘু ৰাইজে 'গ' বেক ধ্বনি' দি আঁতৰাই পঠিয়ায়। ৰকিবুল হুছেইনে আনকি বিহালীৰ বাঘমাৰীৰ সংখ্যালঘু এলেকাত কেবাখনো বৈঠক বাতিল কৰিবলৈ বাধ্য হয়। ইয়াৰ পৰাই অনুমান কৰিব পাৰি যে সংখ্যালঘু ভোটৰ বিভাজন ঘটিব আৰু বিহালী সমষ্টিত সংখ্যালঘুৰ ভোট জয়ন্ত বৰাৰ বাবে এক প্ৰত্যাহ্বান হৈ পৰিব। ইয়াৰ বিপৰীতে সাংসদ গৌৰৱ গগৈয়ে আজি সমষ্টিটোত কেবাখনো জনসভা অনুষ্ঠিত কৰে আৰু জনসমৰ্থন লাভ কৰাৰ বাবে চেষ্টা অব্যাহত ৰাখে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# দুৰাৰোগ্য ৰোগে অকালতে লৈ গ'ল

চিকিৎসা মহাবিদ্যালয়ৰ এগৰাকী যুৱ চিকিৎসকৰ মৃত্যুৰ ঘটনাই চিকিৎসা মহাবিদ্যালয়খনত শোকৰ ছাঁ পেলাইছে। আজি গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ মাইক্ৰ বয়'লজি বিভাগৰ চিকিৎসক ডাঃ অনিন্দিতা পাটোৱাৰীয়ে এটা বছৰ কৰ্কটৰ বিৰুদ্ধে যুঁজি আজি নিয়তিৰ ওচৰত হাৰ মানিছে। এটি পুত্ৰ সন্তানৰ মাতৃ ডাঃ অনিন্দিতা পাটোৱাৰীৰ বয়স মাথো ৩৩ বছৰ আছিল। অনিন্দিতাৰ মহানগীৰৰ জাপৰিগোগৰ কৃষ্ণনগৰত ঘৰত আছিল। পিতৃ-মাতৃ আছিল অজিত পাটোৱাৰী আৰু মীনা পাটোৱাৰী। ডাঃ অনিন্দিতা পাটোৱাৰীৰ এবছৰীয়া সন্তানটোৰ আজি ওপজা দিন আছিল। সন্তান পোহৰৰ ওপজা দিনটোতে ডাঃ পাটোৱাৰীয়ে শেষ নিশ্বাস ত্যাগ কৰে। ২০২০ চনত ভাৰ্গৱ কলিতাৰ সৈতে বিয়াত বহিছিল অনিন্দিতা। ২০২৩ৰ ৯ নৱেম্বৰত পুত্ৰ পোহৰৰ জন্ম হৈছিল। ১৯৯২ চনৰ ৩০ মে'ত জন্মগ্ৰহণ কৰা পাটোৱাৰীয়ে আটাইকেইখন কাকতত লেটাৰসহ ২০০৮ চনত মেট্ৰিকত উত্তীৰ্ণ হৈছিল। ২০১১ চনত যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ পৰা সুখ্যাতিৰে এমবিবিএছত উত্তীৰ্ণ হৈ বৰপেটা চিকিৎসা মহাবিদ্যালয়ত এবছৰ চিকিৎসা সেৱা আগবঢ়াইছিল। ২০২৩ চনৰ ফেব্ৰুৱাৰী মাহত তেওঁৰ শৰীৰত কৰ্কট ৰোগ ধৰা পৰে। ইয়াৰ পিছতে মুম্বাইত চিকিৎসা কৰা হৈছিল। পাছত গুৱাহাটীৰ হেল্থ চিটি হাস্পতালত ভৰ্তি হৈ আছিল। বিগত চাৰিদিন ধৰি হেল্থ চিটি হাস্পতালত ভৰ্তি হৈ থকা অৱস্থাত শেষ নিশ্বাস ত্যাগ কৰে যুৱ চিকিৎসকগৰাকীয়ে।

# কুম্ভকৰ্ণ নিদ্ৰাত সাংসদ, বিধায়ক ছিপাঝাৰত বানে বিধ্বস্ত কৰা পথৰ দুবছৰেও নহ'ল মেৰামতি

**ই-সংবাদ, ছিপাঝাৰ, ৯ নৱেম্বৰঃ** পাঁচ বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনক লৈ মন্ত্ৰী, বিধায়ক তথা দলীয় নেতাই বৰ্তমান চৰকাৰখনৰ শাসনকালত ৰাইজক দিয়া সা-সুবিধা, বিভিন্ন আঁচনি আৰু উন্নয়ন কৰাৰ কথাৰ ফুলজাৰিৰে জনসাধাৰণৰ কাণ ঘোলা কৰাৰ সময়তে ছিপাঝাৰ সমষ্টিৰ কেইটামান বান বিধ্বস্ত পথে চৰকাৰখনৰ ফোঁপোলা স্বৰূপটো উদঙাই দিছে। একেদৰে সাংসদ, বিধায়কসকলৰ ৰাইজৰ প্ৰতি দায়বদ্ধতাৰ নমুনাও ওলাই পৰিছে। উল্লেখ্য যে, দৰঙৰ ছিপাঝাৰ সমষ্টিৰ মাজেৰে বৈ গৈছে এখন খৰস্ৰোতা নদী ননৈখন। এই নৈখনে চলিত বৰ্ষক বাদ দি প্ৰতিবছৰে বাৰিষা কালত তাণ্ডৱ চলাই আহিছে। ২০২৩ বৰ্ষত দুবাৰকৈ অহা প্ৰলয়ংকৰী বানত নৈখনৰ দুঠাইত মথাউৰি ছিগিছিল। বিশেষকৈ ২০২৩ বৰ্ষৰ ২৭ জুলাইৰ দিনা নিশা অগা-পিছাকৈ ইয়াৰ জনসেৱা আৰু স'লপামত পশ্চিম দিশৰ মথাউৰিটো ছিঙি অভাৱনীয় বানৰ কবলত পৰিছিল পঁশিছখনকৈ ৰাজহ গাঁও। একেদৰে বানৰ তীব্ৰ সোঁতে লোক নিৰ্মাণ বিভাগৰ একাধিক পথৰ লগতে ভালেমান গ্ৰাম্য পথ বেয়াকৈ ক্ষতিগ্ৰস্ত কৰিছিল। লোক নিৰ্মাণ বিভাগৰ ছিপাঝাৰ লাউজান পথৰ বচাচুবাস্থিত কালভাৰ্টটোৰ একাংশ সেই বানে খহাই নিছিল। একেদৰে স'লপাম পাটগিৰিচুবা সংযোগী পকী পথটোৰ এটা কালভাৰ্ট এমুৰে খহাই নিছিল। আকৌ হালধা লাউজান পথটো চ'কৰ মুখ অংশ চিঙি পেলাইছিল সেই ভয়াৰহ বানে। লোক নিৰ্মাণ বিভাগৰ এই পথবোৰৰ বাহিৰেও গোপালপুৰ, বচাচুবা, পাটগিৰিচুবা, স'লপাম, ঢেঁকীপাৰা, দুৰ্দুৰীয়া আদি গাঁৱৰ কেইবাটাও গ্ৰাম্য পথ একাধিক স্থানত বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছিল। ইপিনে বচাচুবা আৰু স'লপামস্থিত কালভাৰ্ট দুটা কাৰ্যতঃ মৰণফান্দ হৈ আছে। কিন্তু পৰিতাপৰ বিষয়, দুটাকৈ বাৰিষা পাৰ হোৱাৰ পিছতো বানে ক্ষতি কৰা পথবোৰ মেৰামতি কৰিবলৈ চৰকাৰী পক্ষৰ আহৰি ওলোৱা নাই। একেদৰে বিধায়ক ডও পৰমানন্দ ৰাজবংশী আৰু সাংসদ দিলীপ শইকীয়া দুয়োগৰাকী জনপ্ৰতিনিধি বিভিন্ন উপলক্ষ্যত এই পথেৰে যাতায়াত কৰিছে যদিও পথ মেৰামতিৰ বাবে বিভাগীয় কৰ্তৃপক্ষৰ কুম্ভকৰ্ণ নিদ্ৰা ভঙাৰ ক্ষেত্ৰত অথৰ্বৰ ভূমিকা লৈ আহিছে। তেনে পৰিপ্ৰেক্ষিতত বানত বিধ্বস্ত পথসমূহৰ মেৰামতিৰ কাম কেতিয়া কৰা হ'ব?

## অসম্পূৰ্ণ প্ৰধান মন্ত্ৰী আৱাস যোজনাৰ ঘৰ দেখি ক্ষোভ

# ৰাজ্যপালে উদঙালে মাজুলীৰ গ্ৰামাঞ্চলৰ উন্নয়নৰ ফোপোলা স্বৰূপ

**ই-সংবাদ, মাজুলী, ৯ নৱেম্বৰঃ** দুদিনীয়া ভ্ৰমণসূচীৰে কালি মাজুলীলৈ অহা অসমৰ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই আজি মাজুলী এবাৰ পূৰ্বে পুৱা মাজুলীৰ গ্ৰামাঞ্চলৰ উন্নয়ন পৰিদৰ্শনৰ বাবে মন মেলে। ৰাজ্যপালগৰাকীয়ে মাজুলীৰ গ্ৰামাঞ্চলত হোৱা উন্নয়নৰ ছবিখন ওচৰৰ পৰা বুজ ল'ব বুলি গম পায়েই মাজুলীৰ জিলা প্ৰশাসনৰ বিষয়া কৰ্মচাৰীৰ খদমদম লাগিল। শেষ মুহূৰ্তত ৰাজ্যপালগৰাকীক মাজুলীৰ জিলা প্ৰশাসনে গ্ৰামাঞ্চলৰ উন্নয়ন দেখুৱাবলৈ বুলি জিলা সদৰৰ পৰা ৫ কিলোমিটাৰ নিলগত থকা গেৰেকী, নতুন পোহাৰদিয়া গাঁৱলৈ লৈ গ'ল। মাজুলীৰ আয়ুক্তই নতুন পোহাৰদিয়া গাঁৱৰ এটি প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ ঘৰ দেখুৱাবলৈ বুলি ৰাজ্যপালগৰাকীক লৈ গ'ল। কিন্তু ঘৰটো ২০২২ চনতে আৰম্ভ কৰাৰ লগতে ঘৰটোৰ অসম্পূৰ্ণ ছবি দেখি ৰাজ্যপালগৰাকী ক্ষোভিত হৈ পৰিল। লগে লগে লগতে থকা মাজুলীৰ জিলা আয়ুক্ত ৰাতুল পাঠক আৰু খণ্ড উন্নয়ন বিষয়া অঞ্জিতা পালক ৰাজ্যপালগৰাকীয়ে ধমক দিয়ে। আধৰুৱা আঁচনি দেখুৱাবলৈ লৈ অহাক লৈ জিলাৰ আয়ুক্তক ৰাজ্যপালগৰাকীয়ে ঠাইতে জৱাবদিহি কৰে। ইফালে আৱাস যোজনাৰ ঘৰটোৰ হিতাধিকাৰী জিতেন ফুকনৰ নাম আঁচনিৰ নাম ফলকত স্পষ্টকৈ লিখি নৰখা, আজি পৰ্যন্ত ঘৰটোৰ ৰং নকৰা তথা অসম্পূৰ্ণ ঘৰটোৰ দৃশ্য দেখি গ্ৰামাঞ্চলত উন্নয়নৰ ফোপোলা স্বৰূপ বুজি উঠি একপ্ৰকাৰে নাৰাজ হৈ পৰে ৰাজ্যপালগৰাকী। জানিব পৰা মতে গ্ৰামোন্নয়ন বিভাগে ৰাজ্যপাল অহাৰ খবৰ পাই পুৱাতেই খৰধৰকৈ ৰঙা মাৰ্কাৰেৰে ফলকখন অংকন কৰিছিল যদিও ৰাজ্যপালগৰাকীৰ পৰিদৰ্শনত গ্ৰামোন্নয়ন বিভাগৰ মিথ্যাচাৰ পোহৰলৈ অহাত এতিয়া বিষয়টোৰে বিশেষ চৰ্চা লাভ কৰিছে। ইফালে ৰাজ্যপালগৰাকীৰ আগমনত আৱাস যোজনাৰ হিতাধিকাৰী জিতেন ফুকনৰ পত্নী আনন্দিত হৈ পৰে। ৰাজ্যপালগৰাকীয়ে অঞ্চলটোৰ জলজীৱন মিচনৰ আঁচনি পৰিদৰ্শন কৰিও আচম্বিত হোৱাৰ লগতে আঁচনিৰ কাৰ্য দেখি মুঠেই সন্তুষ্ট নোহোৱাৰ ইংগিত প্ৰদান কৰে। ৰাজ্যপালগৰাকীয়ে অঞ্চলটোৰ অন্যতম শিক্ষানুষ্ঠান কেশৱ ৰাম বৰা উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰিদৰ্শন কৰি ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকসকলৰ সৈতেও মত বিনিময় কৰে। উক্ত কাৰ্যসূচীৰ পিছতেই ৰাজ্যপালগৰাকীয়ে দুদিনীয়া মাজুলী ভ্ৰমণৰ কাৰ্যসূচী সামৰি দুপৰীয়া মাজুলীৰ পৰা ৰাওনা হয়। গ্ৰামাঞ্চলৰ উন্নয়ন প্ৰত্যক্ষ কৰি মাজুলীৰ গ্ৰামোন্নয়নৰ ফোপোলা স্বৰূপ উদঙাই দিয়াৰ পিছত এতিয়া মাজুলী প্ৰশাসন, জিলা গ্ৰামোন্নয়ন বিভাগৰ ওপৰত মুখ্যমন্ত্ৰীয়ে কিধৰণৰ ব্যৱস্থা লয় সেয়া পৰৱৰ্তী সময়ত লক্ষণীয় হ'ব।

# অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদত শতাধিক কৰ্মীৰ যোগদান

**ই-সংবাদ, যোৰহাট, ৯ নৱেম্বৰঃ** অসমৰ অন্যতম বৃহৎ জাতীয় সংগঠন অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ এক বৃহৎ যোগদান কাৰ্যসূচী যোৰহাটত সম্পন্ন হয়। যোৰহাট প্ৰেছ ক্লাবত অনুষ্ঠিত হোৱা এই যোগদান কাৰ্যসূচী আছুৰ সদ্য পদত্যাগী কেইবাগৰাকীও নেতাৰ লগতে শতাধিক ছাত্ৰকৰ্মীয়ে অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদত যোগদান কৰে। সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য ৰক্তিম ৰঞ্জন বৰা, সদৌ যোৰহাট জিলা ছাত্ৰ সন্থাৰ প্ৰাক্তন সাধাৰণ সম্পাদক অৰ্জুনমনি ভূঞা, প্ৰাক্তন বিষয়ববীয়া ৰণ্টু ভূঞা, অমৃত ধলুৱা, অৰিন্দম শইকীয়া, ৰঘু দত্ত, অংশুমান বৰা, প্ৰাঞ্জল প্ৰিয়ম গোস্বামী, মনদীপ গোস্বামী প্ৰমুখ্যে ছাত্ৰ সন্থাৰ বিভিন্ন আঞ্চলিক সমিতি তথা যোৰহাট জিলা সমিতিৰ বিষয়ববীয়া-সদস্যৰ উপৰি জগন্নাথ বৰুৱা বিশ্ববিদ্যালয় ছাত্ৰ একতা সভাৰ সভানেত্ৰী, প্ৰাক্তন সভাপতি, প্ৰাক্তন উপ-সভাপতি, প্ৰাক্তন সহঃ সম্পাদকৰ লগতে তিতাবৰ, টিয়ক, চিনামৰা অঞ্চলৰ ছাত্ৰ ছাত্ৰীসকলে যোগদান কৰে। যোগদান কাৰ্যসূচীত অংশগ্ৰহণ কৰি অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সভাপতি পলাশ চাংমায়ে কয় যে অসমৰ জাতীয় জীৱনৰ বিভিন্ন সমস্যা সমাধানৰ লগতে নৱপ্ৰজন্মক সঠিক দিশেৰে আগবঢ়ায় নিয়াৰ স্বাৰ্থত অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদত যোগদান কৰা সদস্যসকলক আমি স্বাগতম জনাইছো আৰু অনাগত সময়ত নতুন সদস্যসকলৰ প্ৰচেষ্টাত সংগঠন অধিক শক্তিশালী হৈ উঠিব বুলি আমি আশাবাদী। অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ এই যোগদান কাৰ্যসূচী কেন্দ্ৰীয় সমিতিৰ সহকাৰী সাধাৰণ সম্পাদক শিৱ কলিতা, সাংস্কৃতিক সম্পাদক সুৰুজ কলিতা, প্ৰচাৰ সম্পাদক অসীম শইকীয়া, কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য নৱজ্যোতি বৰা লগতে জিলা সমিতিৰ ভাৰপ্ৰাপ্ত সভাপতি উত্তম মহন্ত, ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক বিশ্বজিৎ গায়ন প্ৰমুখ্যে বিষয়ববীয়া সদস্যসকল উপস্থিত থাকে।

# বিশিষ্ট চিকিৎসক কৰ্নেল আছাদুল্লাৰ পৰিবাৰ আজৰা আচাদৰ মৃত্যু

**ই-সংবাদ, ডিব্ৰুগড়, ৯ নৱেম্বৰঃ** ডিব্ৰুগড়ৰ মলখুবছা নতুন গাঁৱৰ সমন্বয় পথ নিবাসী কৰ্নেল ডাক্তৰ আচাদ উল্লা(হেনৰী)ৰ পৰিবাৰ আজৰা আচাদ ৭৯ বছৰ বয়সত ৫ নৱেম্বৰত মৃত্যুমুখত পৰে। এগৰাকী সহজ-সৰল ধৰ্মপ্ৰাণা মহিলা হিচাপে পৰিচিত আজৰা আচাদৰ স্বামী কৰ্নেল ডাক্তৰ আছাদ উল্লা ডিব্ৰুগড়ৰ সামাজিক-সাংস্কৃতিক অনুষ্ঠান চেন্টাৰ ফৰ ইছলামিক ষ্টাডিজৰ এগৰাকী আজীৱন সদস্য তথা ডিব্ৰুগড়ৰ নালিয়াপুলত থকা পি এম চি এফৰ এগৰাকী নিয়মীয়া চিকিৎসক তথা বিষয়ববীয়া। তেওঁৰ পৰিবাৰৰ মৃত্যুত ডিব্ৰুগড়ৰ সামাজিক-সাংস্কৃতিক অনুষ্ঠান চেন্টাৰ ফৰ ইছলামিক ষ্টাডিজৰ হৈ সভাপতি ডা০ আহমেদউল্লা খান আৰু সম্পাদক এম হাছিম আলীৰ লগতে নতুন গাঁৱৰ মছজিদ জামাতৰ সদস্যসকলে দুখ প্ৰকাশ কৰে আৰু শোক সন্তপ্ত পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। মৃত্যুৰ সময়ত মহিলাগৰাকীয়ে স্বামীৰ লগতে এজন পুত্ৰ, এগৰাকী কন্যা আৰু নাতি-নাতিনীসহ অনেক আত্মীয়ক ইহ সংসাৰত এৰি থৈ যায়। তেওঁৰ জানাজা আমোলাপট্টি কবৰস্থানত অনেক গুণমুগ্ধৰ উপস্থিতিত সম্পন্ন কৰা হয়।


দিবনে ভোট বিজেপিক? ফটো ঝাৰখণ্ডৰ


ঝাৰখণ্ডত অসম মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক উষ্ম আদৰণি, ফটো শনিবাৰৰ

## বড়োলেণ্ড মহোৎসৱত অংশ ল'ব মোদীয়ে

# প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক আদৰণি জনোৱাৰ উদ্দেশ্যে এবছুৰ শোভাযাত্ৰা

**ই-সংবাদ, তামুলপুৰ, ৯ নৱেম্বৰঃ** বড়ো জনগোষ্ঠীৰ ভাষা, সংস্কৃতি, শিক্ষাৰ বিকাশৰ উদ্দেশ্যে দিল্লীত ১৫ আৰু ১৬ নৱেম্বৰত বিটিআৰ চৰকাৰৰ উদ্যোগত অনুষ্ঠিত হ'ব বড়োলেণ্ড মহোৎসৱ। বড়োলেণ্ড মহোৎসৱৰ কাৰ্যসূচীত ১৫ নৱেম্বৰত অংশগ্ৰহণ কৰিব ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী। তদুপলক্ষে এই বড়োলেণ্ড মহোৎসৱলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক স্বাগতম জনাই তামুলপুৰ নিখিল বড়ো সাহিত্য সভা আৰু তামুলপুৰ জিলা বড়ো সাহিত্য সভাই ভাৰতৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীক শুভেচ্ছা জনোৱাৰ উদ্দেশ্যে এক আদৰণি শোভাযাত্ৰা উলিয়ায়।

নিখিল বড়ো ছাত্ৰ সন্থা, বড়ো সাহিত্য সভা আৰু বড়ো সাংস্কৃতিক মঞ্চৰ উদ্যোগত উলিওৱা হয় এই আদৰণি শোভাযাত্ৰা। শোভাযাত্ৰাত উপস্থিত থাকে বড়ো সাহিত্য সভাৰ কেন্দ্ৰীয় সমিতিৰ সম্পাদক বিনয় কুমাৰ নাৰ্জাৰী, তামুলপুৰ জিলা নিখিল বড়ো ছাত্ৰ সন্থাৰ সভাপতি বানেশ্বৰ নাৰ্জাৰী, তামুলপুৰ জিলা নিখিল বড়ো ছাত্ৰ সন্থাৰ উপ-সভাপতি ফুকন বড়োৰ লগতে নিখিল বড়ো ছাত্ৰ সন্থাৰ নেতা-কৰ্মীসকল। তামুলপুৰ জিলা নিখিল বড়ো ছাত্ৰ সন্থাৰ কাৰ্যালয় পৰা আৰম্ভ কৰা এই শোভাযাত্ৰাটো তামুলপুৰ ঘগ্ৰাচ'কলৈ গৈ পুনৰ নিখিল বড়ো ছাত্ৰ সন্থাৰ কাৰ্যালয়ত সামৰণি পৰে।

# আগমনিত আৰক্ষীৰ সন্মুখত দালালৰ দুৰ্বাদল কাজিয়া

**ই-সংবাদ, গোলকগঞ্জ, ৯ নৱেম্বৰঃ** ধুবুৰী জিলাৰ আগমনি থানাৰ সন্মুখত কালি সন্ধিয়া আৰক্ষী বিষয়াৰ সন্মুখতে দুই মধ্যভোগীৰ দুৰ্বাদল কাজিয়াই উপস্থিত ৰাইজক আনন্দৰ খোৰাক যোগায়। উল্লেখ্য যে শেহতীয়াকৈ আগমনি থানাত মধ্যভোগী দালালৰ দপদপনি বৃদ্ধি পাইছে। যিকোনো গোচৰ, অভিযোগত হস্তক্ষেপ কৰে মধ্যভোগী। আনহাতে, একাংশ বিষয়াই গোচৰৰ তদন্ত, মীমাংসাৰ ক্ষেত্ৰত নিৰ্ভৰ কৰে মধ্যভোগীৰ ওপৰত। কালি সন্ধিয়া থানাৰ চোহদ সংলগ্ন ব্যৱসায়িক প্ৰতিষ্ঠানৰ সন্মুখত পোকালাগীৰ আইনুল হক আৰু বেলগুৰিৰ গাঁওৰক্ষী বাহিনীৰ সম্পাদক মছিয়ৰ ৰহমানৰ মাজত দুৰ্বাজল কাজিয়া লাগে। সকলো সময়তে থানাত বোন্দাপৰ দি থকা আইনুলৰ নামত আছে বিভিন্ন অবৈধ সামগ্ৰী সৰবৰাহৰ অভিযোগ। অভিযোগ মতে, থানাৰ গোচৰৰ দালালিক লৈ কাজিয়াৰ সূত্ৰপাত হয়। ইজনে আনজনক দালাল বুলি সম্বোধন কৰাৰ লগতে আইনুলে মছিয়ৰক গো-মাংস সৰবৰাহকাৰী বুলি মুকলি অভিযোগ তোলে। আনহাতে, মছিয়ৰে আইনুলক গো সৰবৰাহত জড়িত বুলি অভিযোগ উত্থাপন কৰে। দুয়োজনৰ মাজত বিভিন্ন আপত্তিজনক অবৈধ সামগ্ৰী সৰবৰাহক লৈ বাক্‌বিতণ্ডা চলি থাকে যদিও নিৰ্বাক দৰ্শক হৈ থিয় হৈ থাকে থানাখনৰ সহকাৰী উপ-পৰিদৰ্শক প্ৰদীপ সাহা। সাহাৰ লগত দুয়োজনৰ সম্পৰ্ক মধুৰ হোৱা বাবেই কাকো একো ক'ব নোৱাৰি নিৰ্বাক শ্ৰোতাৰ ভূমিকা গ্ৰহণ কৰে। ঘটনাস্থলীত যথেষ্টসংখ্যক লোক উপস্থিত আছিল। আৰক্ষী বিষয়াৰ সন্মুখতে অবৈধ সামগ্ৰীৰ চোৰাং ব্যৱসায়ক লৈ সৃষ্টি হোৱা কাজিয়াই ৰাইজক আমোদ দিয়ে।

# প্ৰধানমন্ত্ৰীৰ উপস্থিতিক লৈ মুছলপুৰত বড়ো সংগঠনৰ সমদল

**ই-সংবাদ, মুছলপুৰ, ৯ নৱেম্বৰঃ** অহা ১৫ আৰু ১৬ নৱেম্বৰত দেশৰ ৰাজধানী নতুন দিল্লীত পোন প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হ'ব বডোলেণ্ড মহোৎসৱ। বডোলেণ্ড মহোৎসৱত অংশ ল'ব দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। ইতিমধ্যে বিটিআৰ পৰিষদ, বড়ো সাহিত্য সভা, এবছু, বড়ো হাৰিমু আফাদ আৰু গান্ধী হিন্দুস্তানী সাহিত্য সভাৰ উদ্যোগত প্ৰথমবাৰৰ বাবে বডোলেণ্ড মহোৎসৱ অনুষ্ঠিত কৰিবলৈ ব্যাপক আয়োজন কৰা হৈছে। বড়ো জনগোষ্ঠীটোৰ ভাষা, শিক্ষা আৰু সংস্কৃতিৰ প্ৰসাৰ আৰু প্ৰচাৰৰ উদ্দেশ্যে আয়োজিত হ'বলগীয়া মহোৎসৱত মুখ্য অতিথিৰূপে দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অংশগ্ৰহণ কৰিব। ইয়াকে লৈ ইতিমধ্যে বিটিআৰতো এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। আজি বাক্সা জিলাৰ সদৰ মুছলপুৰত বাক্সা জিলা বড়ো সাহিত্য সভা, বাক্সা জিলা এবছু আৰু বাক্সা জিলা হাৰিমু আফাদে যৌথভাৱে বডোলেণ্ড মহোৎসৱত প্ৰধানমন্ত্ৰীৰ উপস্থিতিক লৈ এক আদৰণি শোভাযাত্ৰা বাহিৰ কৰে। সংগঠনকেইটাৰ পাঁচ শতাধিক সদস্যই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী জিন্দাবাদ, বডোলেণ্ড মহোৎসৱলৈ নৰেন্দ্ৰ মোদীজীক স্বাগতম, বড়ো সাহিত্য সভা জিন্দাবাদ, এবছু জিন্দাবাদ, বড়ো হাৰিমু আফাদ জিন্দাবাদ আদি শ্ল'গান দি মুছলপুৰ চহৰত সমদল উলিয়াই হৰ্যোল্লাস কৰে। এই সমদলত বাক্সা জিলা বড়ো সাহিত্য সভাৰ সভাপতি বিনোদ চন্দ্ৰ স্বৰ্গীয়াৰী, সম্পাদক হেমেন দেউৰী, বাক্সা জিলা বড়ো ছাত্ৰ সন্থাৰ সম্পাদক নন্দেশ্বৰ বড়ো, বাক্সা জিলা বড়ো হাৰিমু আফাদৰ সভাপতি ৰূপনাথ ৰামচিয়াৰী, সম্পাদক নিকলচন বসুমতাৰীকে ধৰি কেবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশ লয়।



চামগুৰিত পদুলিয়ে পদুলিয়ে কংগ্ৰেছৰ প্ৰচাৰ

# মৰিগাঁওৰ কৃষি খণ্ড পৰিদৰ্শন ভাৰত চৰকাৰৰ কৃষি আৰু কৃষক কল্যাণ বিভাগৰ সঞ্চালকৰ

**ই-সংবাদ, লাহৰীঘাট, ৯ নৱেম্বৰঃ** ভাৰত চৰকাৰৰ কৃষি আৰু কৃষক কল্যাণ বিভাগৰ সঞ্চালক(শস্য) ৰবীন্দ্ৰ প্ৰসাদ ডাঙৰীয়াই শনিবাৰে মৰিগাঁও জিলাৰ কৃষি খণ্ড পৰিদৰ্শন কৰে। প্ৰথমে তেওঁ মায়ঙৰ ইক' ভিলেজ কেম্পত জিলা কৃষি বিষয়া অশোক কুমাৰ শৰ্মাৰ উপস্থিতিত বিভাগীয় বিষয়া-কৰ্মচাৰীসকলৰ সৈতে মতবিনিময় কৰে। অনুষ্ঠানত কেন্দ্ৰীয় চৰকাৰৰ অন্যতম ধ্বজাবাহী আঁচনি ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আৰু পুষ্টি মিছনৰ সফল ৰূপায়ণ সন্দৰ্ভত পৰ্যালোচনা কৰাৰ লগতে কাম-কাজৰ অগ্ৰগতিৰ খতিয়ান লয়। লগতে প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা, ন্যূনতম সমৰ্থিত মূল্যত ধান আৰু সঁৰিয়হ ক্ৰয়, এক জিলা এক শস্য মাঁকে খেতিৰ উৎপাদন সন্দৰ্ভত আলোকপাত কৰে। ইয়াৰ পিছতে মায়ং কৃষি চক্ৰৰ অন্তৰ্গত ঔগুৰীত প্ৰগতিশীল কৃষক বিপিন বৰাই খাদ্য আৰু পুষ্টি ২০২৪-২৫ আঁচনিৰ অধীনত ৰোপণ কৰা গোবিন্দভোগ জাতৰ জহা ধানৰ খেতি পৰিদৰ্শন কৰি কৃষকগৰাকীৰ সৈতে উৎপাদন আৰু বজাৰ সংযোজন সন্দৰ্ভত মতবিনিময় কৰে। পিছত তেওঁ মহিলা কৃষি উদ্যমী FIGৰ ২২ গৰাকী মহিলা কৃষকে ১০ হেক্টৰ মাটিত ৰোপণ কৰা বাহাদুৰ চাব-১ জাতৰ ধান খেতি পৰিদৰ্শন কৰি মহিলা কৃষকসকলে কৃষি খণ্ডক স্বনিয়োজনৰ বাট হিচাপে লৈ আত্মনিৰ্ভৰশীল হোৱাৰ বিষয়ক ভূয়সী প্ৰশংসা কৰাৰ লগতে মহিলা কৃষকসকলে কৃষি কৰ্মৰ দ্বাৰা কেনেদৰে উপকৃত হৈছে, কেনেধৰণৰ সমস্যাৰ সন্মুখীন হৈছে, বিভাগীয় আঁচনি আৰু সুবিধাৰ লাভালাভ, শস্যৰ উৎপাদন, বজাৰ সংযোজন আদি বিভিন্ন বিষয়ত মতবিনিময় কৰে। বিষয়াগৰাকীয়ে মায়ং ব্লক পথাৰ কৃষক উৎপাদক কোম্পানীৰ অধীনত প্ৰগতিশীল কৃষক নৃপেন ডেকাৰ নেতৃত্বত হাতীমূৰীয়াত ৫ হেক্টৰ মাটিত ৰোপণ কৰা বিনা-১০ জাতৰ ধান খেতি পৰিদৰ্শন কৰে। মৰিগাঁও পৰিদৰ্শনৰ সময়চোৱাত বিষয়াগৰাকীক ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা মিছনৰ ৰাজ্যিক পৰামৰ্শদাতা অৰুনিমা দেৱচৌধুৰী, জিলা কৃষি বিভাগৰ সহকাৰী কৃষি সঞ্চালক তপন কুমাৰ ব্ৰহ্ম, মহকুমা কৃষি বিষয়া মেহেদী আৰিফ হুছেইন, মিডিয়া বিশেষজ্ঞ গৌতম কুমাৰ নাথ, কৃষি সম্প্ৰসাৰণ সহায়ক প্ৰণয় নাহাৰৰ লগতে বিভাগীয় বিষয়া-কৰ্মচাৰীসকলে সংগ দিয়ে।

# বাক্সা জিলাৰ থানগুৰি দেৱচাৰাত ৭৬ সংখ্যক ৰাস

**ই-সংবাদ, বৰমা, ৯ নৱেম্বৰঃ** বাক্সা জিলাৰ থানগুৰি-দেৱচাৰাত ১৯৪৯ চনৰ পৰা অনুষ্ঠিত কৰি অহা ৰাস মহোৎসৱে এইবাৰ ৭৬ বৰ্ষত ভৰি দিলে। ৰাসক্ৰীড়াৰ মহান ভক্তিতত্ত্ব ৰাইজৰ মাজত প্ৰচাৰ আৰু বাগছা অঞ্চলৰ ৰাইজক কৃষ্ণ ভক্তিৰ মাৰ্গ দৰ্শনাৰ্থে বৃহত্তৰ থানগুৰি-দেৱচাৰা অঞ্চলৰ ৰাইজে ১৯৪৯ চনত লক্ষী নদীৰ পাৰত এজোপা আঁহত গছৰ তলত শুভাৰম্ভণি কৰা ৰাস মহোৎসৱ এইবাৰো পাঁচদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত কৰিবলৈ ব্যাপক প্ৰস্তুতি চলাইছে। এই উপলক্ষে ইতিমধ্যে সুকুমাৰ ৰাভাক সভাপতি, কমলেশ্বৰ বৰ্মনক মুখ্য সম্পাদক আৰু তৰুণ ৰাভাক সম্পাদক হিচাপে লৈ ৰাস উদযাপন সমিতি এখন গঠন কৰা হৈছে। সমিতিয়ে প্ৰকাশ কৰা কাৰ্যসূচী মতে, ১৫ নৱেম্বৰত পুৱা পতাকা উত্তোলন কৰিব মহোদৰ কলিতাই। স্মৃতিতৰ্পণ কৰিব মনেশ্বৰ বড়ো আৰু ডাঃ শশীন্দ্ৰ বৈশ্যই। ইয়াৰ পিছতে পুৱা ১০ বজাত বিশিষ্ট সমাজকৰ্মী যতীন ডেকাই মূলদ্বাৰ উদঘাটন কৰিব। আবেলি ৫ বজাত প্ৰতিমা স্থাপন কৰিব সমাজকৰ্মী সুমিত কুমাৰ বড়োৱে। সন্ধিয়া ৬ বজাত বিটিআৰৰ অধ্যক্ষ কাতিৰাম বড়োৱে মন্দিৰৰ দ্বাৰ উন্মোচন কৰিব। ইয়াৰ পিছতে বন্তি প্ৰজ্বলন কৰিব বৰমা সমষ্টিৰ বিধায়ক ভূপেন বড়োৱে। নিশা ৭ বজাত মঞ্চ উদ্বোধন কৰিব কবি-সাহিত্যিক সনৎ মহন্তই। ইয়াৰ পিছতে অনুষ্ঠিত হ'ব একক আধুনিক নৃত্য প্ৰতিযোগিতা। ১৬ নৱেম্বৰত আয়তীৰ নাম, ঢুলীয়া প্ৰদৰ্শন আৰু নিশা দলীয় নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ১৭ নৱেম্বৰত পুৱা চিত্ৰাংকন প্ৰতিযোগিতা আৰু সন্ধিয়া জাতীয় সাজপাৰ পৰিধান প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ১৮ নৱেম্বৰত পুৱা সামূহিক চাফাই, আয়তীৰ নাম, আবেলি নাগাৰা নাম পৰিৱেশন আৰু নিশা ভাওনা প্ৰদৰ্শন কৰা হ'ব। ১৯ নৱেম্বৰত দুপৰীয়া ১২ বজাত হ'বলগা দিহানাম প্ৰতিযোগিতা উদ্বোধন কৰিব সাংসদ জয়ন্ত বসুমতাৰীয়ে। নিশা ৮ বজাত হ'ব লগা সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰিব অসম প্ৰদেশ বিজেপিৰ সভাপতি ভৱেশ কলিতাই। সন্মানীয় অতিথি হিচাপে উপস্থিত থাকিব অসম নাট্য সন্মিলন নলবাৰীৰ সভাপতি দিলজিৎ বৰ্মন আৰু বাগানপাৰা মণ্ডল বিজেপিৰ সভাপতি আৰতী বৰদলৈ। সাংস্কৃতিক সন্ধিয়াত গীত পৰিৱেশন কৰিব হিমু কাশ্যপ আৰু লভিতা বড়োই। ৰাস মহোৎসৱৰ সকলো কাৰ্যসূচীতে ৰাইজৰ উপস্থিতি উদযাপন সমিতিয়ে কামনা কৰিছে।

## ৰাইজেই মেৰামতি কৰিলে চেলাইখাতি-ফুকনচাং সংযোগী দলং

# বিশ্বনাথৰ বিধায়ক প্ৰমোদ বৰঠাকুৰৰ ফাঁকিবাজীত অতিষ্ঠ ৰাইজ

**ই-সংবাদ, বিশ্বনাথ, ৯ নৱেম্বৰঃ** বিজেপিৰ মন্ত্ৰী-বিধায়কসকলক ভোট বিচাৰি বিহালীত উবুৰি খাই পৰা দেখা গৈছে। উন্নয়নৰ নামত সৰ্বত্ৰে কোবাইছে ফঁটা ঢোল। লাগবান্ধ নোহোৱা ভুৱা প্ৰতিশ্ৰুতি দি ৰাইজক আঁভুৱাভাৱিছে। শাসকীয় দলৰ চৰকাৰখনে উন্নয়নৰ নামত একো কৰা নাই। মিছাৰ আশ্ৰয় লৈ চলাই আছে শাসন।- এই অভিযোগ চেলাইখাতি আৰু ফুকনচাংবাসী ৰাইজৰ। উল্লেখ্য যে বিশ্বনাথ সমষ্টিৰ অন্তৰ্গত চেলাইখাতি-ফুকনচাং সংযোগী বিধ্বস্ত হৈ পৰা কলানদীৰ ওপৰত থকা দলংখন আজি পৰ্যন্ত নিৰ্মাণৰ ব্যৱস্থা গ্ৰহণ নকৰিলে স্থানীয় বিধায়ক তথা সাংসদে। উপায়বিহীন হৈ পৰা ৰাইজে চেলাইখাতি-ফুকনচাং সংযোগী কলানদীৰ ওপৰত থকা দলংখন বাঁহৰে সাঁকো সদৃশ নিৰ্মাণ কৰিবলগা হৈছে। স্থানীয় ৰাইজে গাঁঠিৰ ধন ভাঙি দলংখন মেৰামতি কৰি যাতায়াতৰ ব্যৱস্থা কৰে। আনকি ছাত্ৰ-ছাত্ৰীসকলেও দলংখন মেৰামতিৰ বাবে শ্ৰমদান কৰিবলগা হৈছে। এয়াই হ'ল ডাবল ইঞ্জিন চৰকাৰখনৰ উন্নয়নৰ প্ৰকৃত প্ৰতিচ্ছবি। ইফালে, প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী বিশ্বগুৰু হিচাপে প্ৰতিষ্ঠা লাভ কৰাৰ সমান্তৰালকৈ ৰাষ্ট্ৰীয় ৰাজনীতিত মুখ্যমন্ত্ৰী ড০ হিমন্তবিশ্ব শৰ্মাৰ উত্থান মনকৰিবলগা যদিও উন্নয়নত নামত ৰাইজক মাথোঁ ভুৱা প্ৰতিশ্ৰুতি দি আহিছে বুলি ৰাইজে অভিযোগ কৰিছে। দীৰ্ঘদিন ধৰি জৰাজীৰ্ণ হৈ ৰোৱা এই চেলাইখাতি-ফুকনচাং সংযোগী কলানদীৰ ওপৰত থকা দলংখনকে নিৰ্মাণ কৰিব নোৱাৰিলে ডবল ইঞ্জিন চৰকাৰৰ দুবাৰকৈ হোৱা বিধায়ক প্ৰমোদ বৰঠাকুৰে। চলাহী কথাৰে ৰাইজক ভুলাই দলং নিৰ্মাণত পিঠি দি আহিছে বিধায়কগৰাকীয়ে। উল্লেখ্য যে চেলাইখাতি-ফুকনচাং সংযোগী কলানদীৰ ওপৰত দলংখনৰ মাজ অংশত বৃহৎ বৃহৎ ফাঁট মেলিছে। যাৰ ফলত দলংখন হেলনীয়া হৈ পৰিছে। যাতায়াত কৰিলে যিকোনো মুহূৰ্তত দুৰ্ঘটনা হ'ব পাৰে। তথাপিও মৰণক শৰণ দি ৰাইজে যাতায়াত অব্যাহত ৰাখিবলগা হৈছে। আনহাতে, নদীখনৰ এৰুঁকাল পানীৰ মাজেৰেও ৰাইজে যাতায়াত কৰিবলগা হয়। মন কৰিবলগা যে স্কুলীয়া ছাত্ৰ-ছাত্ৰীকে ধৰি পথচাৰীসকলেও এই দলংখনৰ পৰা পৰি আহত হ'বলগা হৈছে। আনকি মৃত্যুমুখতো পৰিছে লোক। ৰাইজে দীৰ্ঘদিন ধৰি দাবী জনাই অহা স্বত্বেও গা লৰা নাই বিধায়ক তথা সংশ্লিষ্ট কৰ্তৃপক্ষৰ। দলংখন নিৰ্মাণৰ বাবে অনুনয়-বিনয়, আবেদন-নিবেদন কৰি ৰাইজ ভাগৰুৱা হৈ পৰিছে। দীৰ্ঘদিন ধৰি দলং নিৰ্মাণৰ দাবী কৰি অহা ৰাইজে ভোটৰ সময়তহে উচিত প্ৰত্যুত্তৰ দিব বুলি এই প্ৰতিবেদকক জানিবলৈ দিয়ে।

## বিশিষ্ট শিল্পী গুণীন্দ্ৰ নাথ ওজালৈ 'শিল্প-ভূষণ' বঁটা

# মাজুলীৰ ঊনবিংশতিতম ৰাসলীলাৰ আয়োজন

**ই-সংবাদ, মাজুলী, ৯ নৱেম্বৰঃ** মাজুলীৰ চৌদিশ এতিয়া খোল, তাল, ডবা, শংখৰ ধ্বনিত মুখৰিত হৈ পৰিছে। মাজুলীৰ প্ৰায় তিনিকুৰিৰো অধিক মঞ্চ আৰু সত্ৰ অনুষ্ঠানত লক্ষ্মী পূৰ্ণিমা দিনৰ পৰা নাট মেলা পৰ্বৰে আৰম্ভ হোৱা শ্ৰী শ্ৰী কৃষ্ণৰ ৰাসলীলা আখৰৰ পূৰ্ণ গতিত চলিছে। এমাহজোৰা আখৰৰ অন্তত পৰৱৰ্তী পূৰ্ণিমাত অৰ্থাৎ ১৫ নৱেম্বৰৰ পৰা তিনিদিনীয়াকৈ অনুষ্ঠিত হ'ব মাজুলীৰ ৰাস মহোৎসৱ। মাজুলীবাসীয়ে সকলো দুখ-ভাগৰ একাষৰীয়া কৰি মাজুলীবাসী প্ৰাণৰ উৎসৱ শ্ৰী শ্ৰী কৃষ্ণৰ ৰাস মহোৎসৱ ভাগি সুকলমে অনুষ্ঠিত কৰাৰ বাবে দেহে কেহে লাগিছে।নিশাৰ্লৈকে ৰাসৰ আখৰাত তিনিকুৰি অধিক মঞ্চত অভিনয় কৰিব লগীয়া শিল্পী সকল ব্যস্ত হোৱাৰ লগতে মঞ্চসমূহ সজাই পৰাই তুলিছে। অঘাসুৰ, বকাসুৰ মুখাসমূহতো ৰং-তুলিকা সানি নতুনত্ব ৰূপ দিয়াৰ বাবে ব্যস্ত হৈ পৰিছে শিল্পীসকল। মাজুলীৰ যেনিয়েই যায় তেনিয়েই ৰাসৰ গীত। ৰাসময় হৈ পৰিছে মাজুলী। মাজুলীৰ এক অগ্ৰণী সামাজিক-সাংস্কৃতিক অনুষ্ঠান শিল্পী সমাজ, মাজুলীয়ে বিগত বছৰৰ দৰে এইবাৰো অহা ১৫, ১৬ আৰু ১৭ নৱেম্বৰত শ্ৰীশ্ৰীকৃষ্ণৰ ৰাসলীলাৰ আয়োজন কৰিছে। কমলাবাৰীস্থিত মাজুলী ক্ৰীড়া ক্ষেত্ৰত ৰাসৰ বাবে আটকধুনীয়াকৈ অস্থায়ী প্ৰেক্ষাগৃহ সাজু কৰি তুলিছে সন্মিলিত শিল্পী সমাজে। বিগত বৰ্ষবোৰৰ দৰে এই বছৰৰ ৰাসতো অনুষ্ঠানটিয়ে অসমৰ কেইবাগৰাকী নামজ্বলা শিল্পীৰ লগতে মাজুলীৰ বিভিন্ন স্থানৰ বাছকবনীয়া শিল্পীক একত্ৰিত কৰি এখন উন্নতমানৰ ৰাস দৰ্শকৰ সমুখলৈ আগবঢ়াই দিবৰ বাবে পূৰ্ণগতিত আখৰা অব্যাহত ৰাখিছে। সন্মিলিত শিল্পী সমাজে ২০০৬ বৰ্ষৰ পৰা অনুষ্ঠিত কৰি অহা শ্ৰী শ্ৰী কৃষ্ণ ৰাসলীলা এই বৰ্ষত ঊনবিংশতিতম বৰ্ষৰ বাবে ৰাস অনুষ্ঠিত কৰিছে। ৰাস উদযাপন সম্পৰ্কত আজি সন্মিলিত শিল্পী সমাজৰ সভাপতি প্ৰভাত বৰা বুঢ়াভকতে এক সংবাদমেল সম্বোধন কৰে। সংবাদমেলৰ যোগেদি জানিবলৈ দি কয় যে সন্মিলিত শিল্পী সমাজ, মাজুলীয়ে এইবছৰৰ পৰা অসমৰ সামাজিক-সাংস্কৃতিক ক্ষেত্ৰলৈ বিশেষভাৱে বৰঙণি আগবঢ়োৱা একোজন ব্যক্তিক 'শিল্প-ভূষণ' বঁটাৰে বিভূষিত কৰিবৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে। প্ৰথমবাৰৰ বাবে এই বঁটা বৰপেটাৰ বিশিষ্ট শিল্পী তথা সংগীত অকাডেমী বঁটা প্ৰাপক গুণীন্দ্ৰ নাথ ওজাক প্ৰদান কৰিবৰ বাবে সমিতিয়ে সিদ্ধান্ত গ্ৰহণ কৰিছে বুলি অৱগত কৰে। ৰাসোৎসৱৰ পৱিত্ৰ মঞ্চত ১৭ নৱেম্বৰত বিশিষ্ট শিল্পীগৰাকীক এই বঁটা প্ৰদান কৰিব। লগতে জানিবলৈ দি কয় যে সন্মিলিত শিল্পী সমাজৰ এই বৰ্ষত ১৫ নৱেম্বৰৰ ৰাসোৎসৱ উদ্বোধন কৰিব জ্যোতি চিত্ৰবনৰ অধ্যক্ষ তথা অসমৰ এগৰাকী স্বনামধন্য শিল্পী বিদ্যাসাগৰ বৰাই। ৰাস-অনুষ্ঠানত সম্বৰ্ধনা জ্ঞাপন কৰিবৰ আমন্ত্ৰণ কৰা হৈছে সত্ৰ পীঠ মাজুলীৰ এক উল্লেখযোগ্য সত্ৰ প্ৰাচীন চামগুৰি সত্ৰৰ বৈকুণ্ঠগামী সত্ৰাধিকাৰ, বৈষ্ণৱ পণ্ডিত, সত্ৰীয়া সংস্কৃতিৰ সাধক, কাব্য-শাস্ত্ৰী লক্ষ্যচন্দ্ৰ মহন্তদেৱৰ সহধৰ্মিনী, গ্ৰন্থ লেখিকা আইতী মহন্তক। বিগত বৰ্ষবোৰত সন্মিলিত শিল্পী সমাজ, মাজুলীয়ে একোজনকৈ আৰ্থিকভাৱে দুৰ্বল অথবা ৰোগগ্ৰস্ত শিল্পীক ৰাসোৎসৱৰ মঞ্চত আৰ্থিক সাহায্য প্ৰদান কৰি আহিছে। এই বছৰ নতুন কমলাবাৰী সত্ৰৰ বৈষ্ণৱ শিল্পী গোবিন বৰা পাঠকক এই সাহায্য প্ৰদান কৰিব বুলি সমিতিয়ে জানিবলৈ দিছে। ৰাসোৎসৱৰ তিনিও নিশাৰ নাট্যাভিনয় উপভোগ কৰিবৰ বাবে সদাশয় ৰাইজৰ উপস্থিতি কামনা কৰিছে উদযাপন সমিতিয়ে। সংবাদমেলখনত সন্মিলিত শিল্পী সমাজৰ কাৰ্যকৰী সভাপতি দিগন্ত শইকীয়া উপস্থিত থাকে।

# আজিৰে পৰা পাঁচ দিনীয়াকৈ আউনীআটী সত্ৰৰ পালনাম মহোৎসৱ

**ই-সংবাদ, মাজুলী, ৯ নৱেম্বৰঃ** মাজুলীৰ ঐতিহাসিক আউনীআটী সত্ৰত প্ৰতিষ্ঠা কালৰে পৰাই পৰম্পৰা আনুসৰি প্ৰত্যেক বছৰৰ কাতি মাহৰ ২৫ তাৰিখৰ পৰা ২৯ তাৰিখলৈকে পাঁচ দিনীয়াকৈ পালনাম মহোৎসৱ অনুষ্ঠিত কৰি আহিছে। এই বৰ্ষটো সত্ৰখনে ৩৭১ বছৰীয়া পৰম্পৰা অটুট ৰাখি কালিলৈ পৰা পৰা অনুষ্ঠিত হব লগীয়া এই মহোৎসৱৰ বাবে সত্ৰখনত উখল মাখল পৰিবেশে বিৰাজ কৰিছে। ভক্তক আদৰিবলৈ সাজু হৈ উঠিছে সত্ৰখন । সত্ৰখনৰ নামঘৰকে কেন্দ্ৰ কৰি বৈষ্ণৱ সকলৰ বহা, চৌপাশ আটক ধুনীয়াকৈ সজাই তুলিছে। পালনামক কেন্দ্ৰ কৰি সত্ৰখনৰ মাজুলীৰ লগতে অসমৰ বিভিন্ন জিলাৰ ভক্তৰ উপৰিও দেশী- বিদেশী লক্ষাধিক ভক্ত সমাগম হব বুলি ধাৰণা কৰিছে সত্ৰখনৰ বৈষ্ণৱ সকলে। কিয়নো প্ৰত্যেক বৰ্ষাতে অভূতপূৰ্ব ভক্তৰ সমাগমে এই মহোৎসৱটি বিৰ দি বাট নেপোৱা পৰিবেশৰ সূচনা কৰি আহিছে।এই বৰ্ষত এটা দিন আগুৱাই এই পালনাম ভাগি অনুষ্ঠিত হব। অৰ্থাৎ কালিলৈ পৰা ২৪ কাতিৰ (ইংৰাজী ১০ নৱেম্বৰ) পৰা অনুষ্ঠিত হব।মাজত এটা দিন ২৬ কাতিত অসমীয়া কেলেণ্ডাৰ অনুসৰি একাদশী থকাৰ বাবে পালনৰ বন্ধ থাকিব পুনৰ ২৭ কাতি পৰা ২৯ কাতিলৈকে চলিব। সত্ৰাধিকাৰ ড০ পীতাম্বৰ দেৱ গোস্বামীয়ে পালনাম ভাগিত অসমবাসীৰ ৰাইজৰ সুখ সমৃদ্ধিৰ বাবে প্ৰাৰ্থনা জনোৱাৰ লগতে সকলো ৰাইজৰ সহযোগিতা কামনা কৰিছে বুলি জানিবলৈ দিছে।পালনাম মহোৎসৱত চাৰিহাটী বৈষ্ণৱ সকলে নিজৰ নিজৰ পাল অনুসৰি নাম ঘোষে। কালিলৈ পাল নামৰ প্ৰথম দিনা পুৱা নাম প্ৰসংগৰ পাছতেই পশ্চিমহাটী বৈষ্ণৱ সকলে নাম ধৰিব। ইয়াৰ পাছতেই ক্ৰম অনুসৰি উত্তৰহাটী,পূবহাটী বৈষ্ণৱসকলে নাম ডাকিব।এই নামতেই ভক্তসকলে মনৰ অভিলাষ অনুসৰি ধূপ-ধূনা, ঘিউ- বন্তি, লোণ আদি ভক্তি ভাৱে আগবঢ়াই সেৱা লয়। ভক্ত সকলক আদৰিবলৈ সত্ৰ খনৰ বৈষ্ণৱ সকলে বিশেষ প্ৰদক্ষে গ্ৰহণ কৰিছে । সত্ৰখনৰ কাষতে লাগি থকা লাহলিয়াল, বৰটানী, জুগুনীধাৱী,আলিমুৰ, বোকোৰা আদি গাঁও কেইখনৰ লোকসকলেও ভক্ত সকলক আপ্যায়ন আৰু দূৰ -দূৰনী ভক্তসকলক ৰখাৰ ব্যৱস্থা বিগত বছৰৰ দৰে এই বছৰো কৰিছে বুলি জানিবলৈ দিছে। এই পালনাম মহোৎসৱত সকলো ভক্তপ্ৰান ৰাইজৰ উপস্থিতি কমনা কৰিছে সত্ৰ খনৰ বৈষ্ণৱ সকলে।

# যমুনাপৰীয়া সাহিত্য সভাৰ ভাষা গৌৰৱ সপ্তাহ

**ই-সংবাদ, মোৰাঝাৰ, ৯ নৱেম্বৰঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে হোজাই জিলা সাহিত্য সভাৰ অন্তৰ্গত যমুনাপৰীয়া শাখা সাহিত্য সভাৰ উদ্যোগত পদুমনি জাতীয় বিদ্যালয়ৰ সহযোগত ধ্ৰুপদী ভাষা গৌৰৱ সপ্তাহৰ অন্তিমদিনা আজি মোৰাঝাৰত ভাষা গৌৰৱ সপ্তাহ উদযাপন কৰা হয়। যমুনাপৰীয়া শাখা সাহিত্য সভাৰ সম্পাদক ছাদিকুজ জামানে আঁত ধৰা আলোচনা চক্ৰৰ সভাপতিত্ব কৰে শাখাৰ সভাপতি তথা কবি মোজাম্মিল আলীয়ে। হোজাই জিলা সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক নজৰুল ইছলামে উদ্বোধনী ভাষণ দিয়ে। এই আলোচনা চক্ৰত মুখ্য আলোচক হিচাপে মোৰাঝাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক মনিৰুজ জামান উপস্থিত থাকি ধ্ৰুপদী অসমীয়া ভাষাৰ উৎপত্তি আৰু বিকাশ শীৰ্ষক বিষয়ৰ ওপৰত আলোকপাত কৰে। তেওঁ ১৭০০ বছৰীয়া এই অসমীয়া ভাষাৰ দীঘলীয়া ইতিহাস ভাষণ প্ৰসংগত আলোকপাত কৰাৰ লগতে শেহতীয়া অসমীয়া ভাষা সম্পৰ্কে জুবিন গাৰ্গে কৰা মন্তব্যক ভুল আখ্যা দি আধুনিক অসমীয়া ভাষা বা ছপা ভাষা সন্দৰ্ভত আলোচনা আগবঢ়ায়। ভাষা গৌৰৱ সপ্তাহ উপলক্ষে আয়োজিত এই সভাত পদুমনি জাতীয় বিদ্যালয়ৰ তৰফৰ পৰা অতিথিসকলক অসমীয়া গ্ৰন্থ আৰু ফুলাম গামোচাৰে আদৰণি জনায়। সভাত শাখাই ধ্ৰুপদী ভাষা হিচাপে স্বীকৃতি লাভ কৰাৰ ক্ষেত্ৰত দেশৰ প্ৰধানমন্ত্ৰীৰ ভূমিকাৰ বাবে নৰেন্দ্ৰ মোদীক ধন্যবাদ জনাই প্ৰ ছুফিয়ানে শলাগৰ শৰাই জ্ঞাপন কৰে।সভাৰ আৰম্ভণিতে ‘চিৰ চেনেহী মোৰ ভাষা জননী’ গীত আৰু সামৰণিত জাতীয় সংগীত ‘অ মোৰ আপোনাৰ দেশ’ সমবেত সংগীতেৰে আলোচনা চক্ৰৰ সামৰণি পৰে।

# হাজোত উত্তৰ প্ৰদেশৰ ৰাজ্যপাল আনন্দিবেন পেটেল

**ই-সংবাদ, ৯ নৱেম্বৰ, হাজোঃ** আজি তীৰ্থনগৰী হাজোত উপস্থিত হয় উত্তৰ প্ৰদেশৰ ৰাজ্যপাল আনন্দিবেন পেটেল। হাজোৰ পতনিত উপস্থিত হৈ এক হস্ত শিল্পৰ প্ৰদৰ্শনী পৰিদৰ্শন কৰে উত্তৰ প্ৰদেশৰ ৰাজ্যপাল গৰাকীয়ে। দেশৰ আগশাৰীৰ উদ্যোগ প্ৰতিষ্ঠান টাটা ট্ৰাষ্টৰ উদ্যোগত অনুষ্ঠিত এই প্ৰদৰ্শনীত কামৰূপ জিলা আৰু নলবাৰী জিলাৰ ভালেসংখ্যক শিপিনীয়ে অংশগ্ৰহণ কৰে। মূলতঃ গ্ৰামাঞ্চলৰ শিপিনী সকলক এখন উপযুক্ত বজাৰ দিয়াৰ লগতে স্বাৱলম্বী কৰাৰ বাবেই অনুষ্ঠিত কৰা হয় এই কৰ্মশালা তথা প্ৰদৰ্শনী। কামৰূপ আৰু নলবাৰী জিলাৰ প্ৰায় ১৬০০ শিপিনীয়ে প্ৰশিক্ষণ গ্ৰহণ কৰা এই কৰ্মশালা খন পৰিদৰ্শন কৰি অভিভূত হৈ পৰে ৰাজ্যপাল গৰাকী। ৰাজ্যপাল গৰাকীয়ে শিপিনী সকলৰ সৈতে মত বিনিময় কৰি তেখেত সকলৰ অভাৱ-অভিযোগ সমূহৰ বুজ লোৱাৰ লগতে ভৱিষ্যতে শিপিনী সকলৰ সৈতে ব্যৱসায় সন্দৰ্ভত প্ৰয়োজন হোৱা সকলো ধৰণৰ সহায় কৰি যোৱাৰ প্ৰতিশ্ৰুতি দিয়ে। লগতে শিপিনী সকলে তেওঁলোকৰ উৎপাদিত সামগ্ৰী সমূহ সামাজিক মাধ্যমৰ যোগেদি কিদৰে প্ৰচাৰ আৰু বিক্ৰী কৰিব পৰা যায় সেই বিষয়ে শিপিনী সকলক ভিন্ন পৰামৰ্শ প্ৰদান কৰে।

# ন-মাটিত ‘মোৰ মৰমে মৰম বিচাৰি যায়’ অনুষ্ঠান সম্পন্ন

**ই-সংবাদ, বেবেজীয়া, ৯ নৱেম্বৰঃ** নগাঁও জিলাৰ জাঁজৰিৰ ন-মাটি ৰাজহুৱা মঞ্চত শুকুৰবাৰে 'মোৰ মৰমে মৰম বিচাৰি যায়' শীৰ্ষক এক ব্যতিক্ৰমী অনুষ্ঠান অনুষ্ঠিত কৰা হয়। ন-মাটি যুৱক বৃন্দৰ ব্যৱস্থাপনাত উদযাপিত এই অনুষ্ঠানত কেইবাগৰাকী বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়। সন্ধ্যাৰ পৰা আৰম্ভ হোৱা এই ব্যতিক্ৰমী অনুষ্ঠানটিৰ পহিলাতেই সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু শ্ৰদ্ধাঞ্জলি জনোৱাৰ পিছতে সাংস্কৃতিক মঞ্চ মুকলি কৰে জ্যেষ্ঠ সাংবাদিক ৰাহুল দেৱ বৰদলৈয়ে। তেওঁ সুধাকণ্ঠৰ কেইবাটিও কালজয়ী গীত পৰিবেশন কৰি ভূপেনদাক অসমীয়া ৰাইজে কেতিয়াও পাহৰি নোযায় বুলি মন্তব্য কৰে। অনুষ্ঠানত জনপ্ৰিয় কণ্ঠশিল্পী কুমাৰ কিশোৰৰ লগতে স্থানীয় শিল্পী প্ৰবোধ ডেকা, জংকী বৰুৱা, বিদিশা বৰুৱা আৰু শংকৰ বৰুৱাই সুধাকণ্ঠৰ কেইবাটিও জনপ্ৰিয় গীত পৰিবেশন কৰে। উক্ত অনুষ্ঠানতে শব্দযন্ত্ৰী জিতেন হীৰাক ন-মাটি যুৱক সংঘৰ তৰফৰ পৰা বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। মনোগ্ৰাহী অনুষ্ঠানটোত উদ্যোক্তাসকলৰ হৈ সভাপতি ৰমেন বৰুৱা, সম্পাদকদ্বয় প্ৰাঞ্জল কুমাৰ ডেকা আৰু কৃষ্ণ ডেকাৰ লগতে কেইবাগৰাকী বিশিষ্ট লোক উপস্থিত থাকে।

# সজ্জন জৈন সাহিত্য বঁটাৰ বাবে অসমীয়া-হিন্দী ভাষাৰ মৌলিক গ্ৰন্থ আহ্বান

**ই-সংবাদ, গুৱাহাটী, ৯ নৱেম্বৰঃ** গুৱাহাটীৰ শতায়ু বছৰ গৰকা অনুষ্ঠান শ্ৰী মাৰোৱাৰী হিন্দী পুস্তকালয়ে 'সজ্জন জৈন স্মৃতি সাহিত্য বঁটা, ২০২৪'ৰ বাবে অসমীয়া আৰু হিন্দী ভাষাত প্ৰকাশিত মৌলিক গ্ৰন্থৰ লেখক-লেখিকাসকলৰ পৰা তেওঁলোকৰ গ্ৰন্থ আহ্বান কৰিছে। এই বঁটা গদ্য-কবিতা- প্ৰবন্ধ আদি বিষয়ক পুথিৰ বাবে নিৰ্ধাৰিত হ'লেও ২০২৪ চনৰ 'সজ্জন জৈন স্মৃতি সাহিত্য বঁটা' আগবঢ়োৱা হ'ব গদ্যৰ বাবেহে। উদ্যোক্তাসকলে জনাইছে যে এই বঁটাৰ বাবে পঠোৱা গ্ৰন্থসমূহ ২০২২ চনৰ জানুৱাৰীৰ পৰা ২০২৪ চনৰ ডিচেম্বৰ মাহৰ ভিতৰত প্ৰকাশিত হ'ব লাগিব। এই বঁটাৰ বাবে বয়সৰ কোনো সীমা নাই কাৰণ বঁটা আগবঢ়োৱা হ'ব কেৱল গ্ৰন্থলৈহে। এই বঁটাত থাকিব এখন মানপত্ৰ, এটা স্মাৰক আৰু ২১ হাজাৰ টকাৰ নগদ ধন। তিনিজনীয়া বিশিষ্ট জুৰীয়ে সম্পূৰ্ণ মানৰ ওপৰত নিৰ্ভৰ কৰিহে বঁটা পাবলগীয়া পুথিখন নিৰ্বাচন কৰি উলিয়াব। সেয়ে লেখক-লেখিকাসকলে তেওঁলোকৰ গ্ৰন্থৰ তিনিটাকৈ কপি(যদি গ্ৰন্থখনৰ ওপৰত লিখা কোনো আলোচন-সমালোচনা আদি থাকে, তাকো সংলগ্ন কৰি) আহ্বান জনোৱাৰ লগতে গ্ৰন্থসমূহ ১৫ জানুৱাৰী, ২০২৫ তাৰিখৰ ভিতৰত কিশোৰ কুমাৰ জৈন, মাৰফৎঃ মদনলাল জৈন, মহাত্মা গান্ধী পথ, ফাঁচী বজাৰ, গুৱাহাটী- ৭৮১০০১, ভ্ৰাম্যভাষঃ ৯৮৬৪০৬৩৭৯০ এই ঠিকনাত প্ৰেৰণ কৰিবলৈ আহ্বান জনোৱা হৈছে।

# বৰ্ণকুটীৰ আৰ্টছ ভিলেইজ পৰিদৰ্শন বস্ত্ৰ মন্ত্ৰণালয়ৰ বিষয়াৰ

**ই-সংবাদ, শিৱসাগৰ, ৯ নৱেম্বৰঃ** ভাৰত চৰকাৰৰ বস্ত্ৰ মন্ত্ৰণালয়ৰ উত্তৰ পূৰ্বৰ আঞ্চলিক সঞ্চালক হৰকান্ত বড়ো আৰু সহকাৰী সঞ্চালক (হস্তশিল্প) শশীকান্ত গুপ্তাই কালি শিৱসাগৰ বেতবাৰী মৌজা ভ্ৰমণ কৰে। উচ্চপদস্থ বিষয়া দুগৰাকীয়ে বেতবাৰী কোৱামৰা সন্দিকৈ গাঁৱস্থিত "বৰ্ণকুটীৰ আৰ্টছ ভিলেইজ" পৰিদৰ্শন কৰি শিল্পকলাসমূহ দৰ্শন কৰে। বিষয়া দুগৰাকীক ফুলাম গামোচাৰে আদৰণি জনাই সুজিত বৰুৱাই। বিশিষ্ট চিত্ৰ আৰু মুখা শিল্পী সুজিত বৰুৱাই নিৰ্মাণ কৰি থোৱা বিভিন্ন মুখা, চিত্ৰসমূহ চাই আপ্লুত হৈ পৰে তেওঁলোক। "বৰ্ণকুটীৰ আৰ্টছ ভিলেইজ" লোক-কলা সংস্কৃতিৰে চহকী হৈ থকা বুলি মন্তব্য কৰে হৰকান্ত বড়োৱে। শিল্পী সুজিত বৰুৱা আৰু তেওঁৰ প্ৰশিক্ষাৰ্থীসকলৰ সৈতে উত্তৰ-পূৰ্বাঞ্চলৰ কলা-সংস্কৃতি সন্দৰ্ভত মত বিনিময় কৰে বিষয়া দুগৰাকীয়ে। এই অনুষ্ঠানতে বেতবাৰী মৌজাৰ একাংশ হস্ত শিল্পীক পৰিচয় পত্ৰ প্ৰদান কৰে। অৰ্ধশতাধিক লোক উপস্থিত থকা অনুষ্ঠানটোত ভাৰত চৰকাৰৰ বস্ত্ৰ মন্ত্ৰণালয়ৰ তৰফৰ পৰা পৰিচয় পত্ৰসমূহ প্ৰদান কৰে হৰকান্ত বড়ো আৰু শশীকান্ত গুপ্তাই। এই পৰিচয় পত্ৰ লাভ কৰা সকলে চৰকাৰে গ্ৰহণ কৰা আঁচনিৰ সুবিধা লাভ কৰাত সুবিধা হ'ব বুলিও আশ্বাস দিয়ে।

## জেৰাত গঁড় হত্যাৰ লগত জড়িত থকাৰ কথা স্বীকাৰ

# চতিয়া আৰক্ষীৰ জালত তিনিটাকৈ দুৰ্ধৰ্ষ চোৰাং চিকাৰী

**ই-সংবাদ, চতিয়া, ৯ নৱেম্বৰঃ** বিশ্বনাথ জিলা আৰক্ষী অধীক্ষক আৰু চতিয়া থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ভোলা ৰাম বৰাৰ নেতৃত্বত শুকুৰবাৰে নিশা চলা এক অভিযানত আটক হয় তিনিটাকৈ চোৰাং চিকাৰী। এক গোপন সূত্ৰৰ পম খেদি চতিয়াৰ বোকাবিলৰ পৰা আটক কৰিবলৈ সক্ষম হয় চোৰাং গঁড় চিকাৰীকেইটাক। আটক কৰা চোৰাং চিকাৰীকেইটা হ'ল মকতুল হুছেইন, আব্দুল বাৰেক আৰু আবু তাহিৰ। চতিয়া আৰক্ষীৰ জেৰাত ইতিমধ্যে গঁড় হত্যাৰ লগত জড়িত থকাৰ কথা স্বীকাৰ কৰিছে ধৃত চোৰাং চিকাৰী তিনিটাই। ধৃত আব্দুল বাৰেকৰ ঘৰ চতিয়াৰ বোকাবিলত, আবু তাহিৰৰ ঢেকীয়াজুলি আৰু মকতুলৰ ঘৰ বিশ্বনাথৰ জিনজিয়াত। আটায়ে গঁড় চিকাৰৰ উদ্দেশ্যে কাজিৰঙাৰ ষষ্ঠ সংযোজনত পৰিকল্পনা কৰি বাহৰ পাতি আছিল বুলি আৰক্ষী সূত্ৰই প্ৰকাশ কৰে। আৰক্ষীয়ে ইতিমধ্যে জে'ললৈ প্ৰেৰণ কৰিছে চিকাৰীকেইটাক।

# বড়োলেণ্ড মহোৎসৱক লৈ কোকৰাঝাৰত আদৰণি শোভাযাত্ৰা

**ই-সংবাদ, কোকৰাঝাৰ, ৯ নৱেম্বৰঃ** এবছু, বড়ো সাহিত্য সভা, দুলাৰায় বড়ো হাৰিমু আফাট আৰু হিন্দুস্থানী গান্ধী সাহিত্য সভাৰ উদ্যোগত আৰু বিটিচি চৰকাৰৰ সহযোগত নতুন দিল্লীৰ ইন্দিৰা গান্ধী ছাই ইণ্ডোৰ ষ্টেডিয়ামত অহা ১৫ আৰু ১৬ নৱেম্বৰত দুদিনীয়া কাৰ্যসূচীৰ অনুষ্ঠিত হ'ব বড়োলেণ্ড মহোৎসৱ। বড়োসকলৰ চহকী ভাষা-সংস্কৃতি-সাহিত্য বিশ্বদৰবাৰত প্ৰতিষ্ঠা কৰিবলৈ আয়োজন কৰা হৈছে বড়োলেণ্ড মহোৎসৱ। বড়োলেণ্ড মহোৎসৱৰ প্ৰথম দিনৰ কাৰ্যসূচীত উপস্থিত থাকিব দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী। এই উপলক্ষে আজি বিয়লি ৪:০০ বজাত কোকৰাঝাৰ বড়োলেণ্ড মহোৎসৱক লৈ আৰু প্ৰধানমন্ত্ৰী আদৰণিমুলক বিশাল শোভাযাত্ৰা বাহিৰ কৰা হয়। এবছু, বড়ো সাহিত্য সভা, দুলাৰায় বড়ো হাৰিমু আফাট আৰু হিন্দুস্থানী গান্ধী সাহিত্য সভাৰ উদ্যোগত কোকৰাঝাৰ চৰকাৰী উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ খেলপথাৰৰ পৰা বাহিৰ হোৱা বিশাল শোভাযাত্ৰাই ফ্লাইঅভাৰ, জেডি ৰোড হৈ সদৰ চহৰৰ মাজেৰে বড়োফা শিশু উদ্যানত উপস্থিত হয়। হাতে হাতে বেনাৰ, ফেষ্টুন, প্লেকাৰ্ড লৈ সহস্ৰাধিক শোভাযাত্ৰাকাৰীয়ে চিফুং, খাম, চেৰজাৰ তালে তালে নৰেন্দ্ৰ মোডীক আদৰিছো, এবছু জিন্দাবাদ, বড়ো সাহিত্য সভা জিন্দাবাদ, দুলাৰায় বড়ো হাৰিমু আফাট জিন্দাবাদ, হিন্দুস্থানী গান্ধী সাহিত্য সভা জিন্দাবাদ ধ্বনি দিয়ে। ইপিনে বড়ো সাহিত্য সভাৰ সভাপতি ড° সুৰথ নাৰ্জাৰীয়ে কয় যে বড়োলেণ্ড মহোৎসৱৰ প্ৰয়োজনীয়তাক দোহাৰি কয় যে নিজৰ জাতিৰ ভাষা -সংস্কৃতি -সাহিত্য বিশ্বদৰবাৰত প্ৰতিষ্ঠা কৰিবলৈ আমি ঐক্যান্তিক প্ৰচেষ্টা অব্যাহত ৰাখিছো। আমি বিদ্ৰোহী নহয়, বিপ্লৱীহে আৰু নিজ প্ৰচেষ্ঠাত যোগ্যতা অনুসাৰে স্বীকৃতি লাভ কৰিছো আৰু বৰ্তি থাকিবলৈ আমি সংগ্ৰাম কৰিছো। আমাৰ উদ্দেশ্য সৎ আৰু প্ৰগতিমুলক বুলি মন্তব্য কৰি বড়ো সাহিত্য সভাৰ সভাপতি ড° সুৰথ নাৰ্জাৰীয়ে বড়োলেণ্ড মহোৎসৱৰ সফলতা কামনা কৰিছে। আনহাতে এবছুৰ কেন্দ্ৰীয় সহকাৰী সাধাৰণ সম্পাদক দিনেশ ব্ৰহ্মাই কয় যে বড়োসকলৰ ভাষা -সংস্কৃতি-সাহিত্য বিশ্বদৰবাৰত প্ৰতিষ্ঠা কৰাৰ মূল উদ্দেশ্য আগত লৈ অহা ১৫ আৰু ১৬ নৱেম্বৰত দুদিনীয়া কাৰ্যসূচীৰে নতুন দিল্লীৰ ইন্দিৰা গান্ধী ছাই ইণ্ডোৰ ষ্টেডিয়ামত বড়োলেণ্ড মহোৎসৱ অনুষ্ঠিত হ'ব যত দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী উপস্থিত থাকিব। ইন্দিৰা গান্ধী ছাই ইণ্ডোৰ ষ্টেডিয়ামত অনুষ্ঠিত হ'বলগীয়া আলোচনাচক্ৰত মুখ্য অতিথি হিচাপে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী উপস্থিত থাকি বড়োসকলৰ যিসমুহ থলুৱা সামগ্ৰীয়ে জিআই টেক লাভ কৰিছে সেয়া প্ৰধানমন্ত্ৰীয়ে উদ্বোধন কৰিব। আনহাতে অনুষ্ঠানত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাও উপস্থিত থাকিব বুলি সদৰি কৰিছে এবছুৰ কেন্দ্ৰীয় সহকাৰী সাধাৰণ সম্পাদক দিনেশ ব্ৰহ্মাই। আলোচনাচক্ৰত বিটিআৰৰ তিনিখন ৰাষ্ট্ৰীয় উদ্যান ক্ৰমে মানাহ, ৰাইমনা, চিমনাঝাৰলৈ কেনেদৰে বিদেশী পৰ্যটক আনিব পৰা যায় সেয়াও আলোচিত হ'ব। উক্ত আলোচনাচক্ৰত ৰাষ্ট্ৰীয় শিক্ষানীতি তথা মাতৃভাষা মাধ্যম সম্পৰ্কেও আলোচিত হ'ব যত কেন্দ্ৰীয় শিক্ষামন্ত্ৰী উপস্থিত থাকিব।

# ফাইনেলত নৱজ্যোতি এফচি

**ই-সংবাদ, কাকপথাৰ, ৯ নৱেম্বৰঃ** তিনিচুকীয়া জিলাৰ কাকপথাৰ ১ নং সৰুডিৰাক ৰাজহুৱা খেলপথাৰত সদৌ অসম মটক যুৱ-ছাত্ৰ পৰিষদ, ডিৰাক আৰু কাকপথাৰ আঞ্চলিক সমিতিৰ উদ্যোগত ১ নং সৰু ডিৰাক যুৱ সংঘৰ সহযোগত মটক ৰাজবংশৰ শেষজন ৰাজ পেঞ্চনাৰ লংকেশ্বৰ গোহাঁই সোঁৱৰণী দ্বিতীয় বাৰ্ষিক "ডিৰাক সমন্বয় কাপ-২০২৪" ফুটবল প্ৰতিযোগিতাৰ প্ৰথমখন ছেমিফাইনেলত আজি কাকপথাৰ কচিং চেণ্টাৰ আৰু নৱজ্যোতি এফচিৰ মাজত অনুষ্ঠিত হয়। নৱজ্যোতি এফচিয়ে খেলৰ প্ৰথমাৰ্ধৰ ২২:২৬ মিনিটত শ্যামল মৰাণৰ বিজয়সূচ গ'লৰ সহায়ত ফাইনেলত প্ৰৱেশ কৰে। দেওবাৰে দ্বিতীয়খন ছেমি ফাইনেল লেকাং ইউনাইটেড আৰু ইলেভেন ষ্টাৰ ডিৰাকৰ মাজত অনুষ্ঠিত হ'ব। আজিৰ খেলখন পৰিচলনা কৰে ৰকি চাওৰক আৰু সহায়ক হিচাপে থাকে সুশান্ত মৰাণ আৰু প্ৰাণজ্যোতি চুতীয়াই।

# অসম একাদশ দলৰ অগ্ৰগতি লাভ

**ই-সংবাদ, ৰঙিয়া, ৯ নৱেম্বৰঃ** ৰঙিয়াৰ তুলসীবাৰী যুৱ সংঘৰ সৌজন্যত আয়োজন কৰা ১৮ বছৰ অনুৰ্ধৰ প্ৰাইজমাণি ফুটবল প্ৰতিযোগিতা আজিৰে পৰা দুদিনীয়াকৈ অনুষ্ঠিত হৈছে। স্থানীয় আৰিমত্ত মিনি ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে বৈদ্যগড় গাও পঞ্চায়ত সমবায় সমিতিৰ সম্পাদক ভুৱনেশ্বৰ লহকৰে। উদ্বোধনী খেলখনত অসম একাদশ দলে আৰিমত্ত ফুটবল ক্লাৱক ৩-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰি অগ্ৰগতি লাভ কৰিবলৈ সমৰ্থ হয়।

# মৰিগাঁৱত মহিলা কাবাডী

**ই-সংবাদ, মৰিগাঁও, ৯ নৱেম্বৰঃ** মৰিগাঁও চহৰৰ দলবাৰী যুৱকল্যাণ সংঘৰ খেলপথাৰত কালিৰে পৰা তিনিদিনীয়াকৈ আৰম্ভ হৈছে মৰিগাঁও জিলা কাবাডী সন্থাৰ আতিথ্যত সদৌ অসম আন্তঃজিলা মহিলা কাবাডী প্ৰতিযোগিতা। এই প্ৰতিযোগিতাত ৰাজ্যখনৰ ২৬ টা জিলা দলে যোগদান কৰিছে। আজি পুৱাৰে পৰা প্ৰতিযোগিতাৰ প্ৰথম ৰাউণ্ডৰ খেল চলি আছে। কাইলৈও প্ৰতিযোগিতা চলিব। সন্ধিয়া ৬ বজাত বঁটা বিতৰণী সভা হ'ব। আজি খেলৰ উদ্বোধনী অনুষ্ঠানত যোগদান কৰে অসম কাবাডী সন্থাৰ সভাপতি ভুৱনেশ্বৰ কলিতা, সম্পাদক আলোক ত্ৰিপাঠী, আদৰণি সমিতিৰ সভাপতি বিধায়ক ৰমাকান্ত দেউৰী, অসম অলিম্পিক সন্থাৰ উপ-সভাপতি তপন দাস প্ৰমুখ্যে বহুকেইজন ক্ৰীড়া সংগঠকে।




## মালদ্বীপত অসম সন্তানৰ সাফল্য, দেশলৈ কঢ়িয়ালে গৌৰৱ

# বডি বিল্ডিং চেম্পিয়নশ্বিপত স্বৰ্ণ জয় মাজুলীৰ পৱিত্ৰ নাথৰ

**ই-সংবাদ, মাজুলী, ৯ নৱেম্বৰঃ** মাজুলীৰ সু-সন্তান পৱিত্ৰ নাথে মালদ্বীপত অনুষ্ঠিত বিশ্ব বডি বিল্ডিং আৰু ফিজিক স্পৰ্টছ চেম্পিয়নশ্বিপ ইভেণ্টত ১৭৫ চি.এম শাখাত সোণৰ পদক লাভ কৰিবলৈ সক্ষম হৈছে। পৱিত্ৰ নাথে মংগোলিয়া, আফগানিস্তান, চীন, শ্ৰীলংকাৰ প্ৰতিযোগীক চেৰ পেলাই এই খিতাপ আজুৰিবলৈ সক্ষম হয়। বিশ্বৰ অন্যতম বৃহৎ প্ৰতিযোগিতাখনিত পদক লাভেৰে দেশৰ লগতে মাজুলীবাসীক গৌৰাৱান্বিত কৰা পৱিত্ৰ নাথৰ সফলতাত মাজুলীত আনন্দৰ জোৱাৰ উঠিছে। মাজুলীৰ সু-সন্তান পৱিত্ৰ নাথৰ পুনৰ এই সফলতাত জন্মভূমি পুৰণিবাৰী গাঁওখনতো আনন্দ উল্লাস পৰিলক্ষিত হৈছে। অতি কষ্টৰে নিজৰ সাধনা চলাই যোৱা নাথে আজি বিশ্বৰ আগত নিজৰ দেশক চিনাকি কৰি দিবলৈ সক্ষম হ'ল। পৱিত্ৰৰ পিতৃ মাতৃয়ে নিজৰ সন্তানৰ এই সফলতাত আনন্দত আত্মহাৰা হৈ পৰিছে। অতি কষ্টৰে এই প্ৰতিযোগিতাখনৰ বাবে প্ৰয়োজনীয় সামগ্ৰী নিজে ক্ৰয় কৰাৰ লগতে উপাৰ্জনৰ ধনেৰে পৰিয়ালকো ভৰণ-পোষণ দিব লাগে পৱিত্ৰই। একান্তই পৰিশ্ৰম-কষ্ট আৰু অধ্যৱসায়ৰ অন্তত লাভ কৰা সফলতাত উৎফুল্লিত পৱিত্ৰৰ পৰিয়াল। এই সফলতাৰ বাবে মাজুলীৰ ক্ৰীড়া প্ৰেমীসকলৰ লগতে সমগ্ৰ মাজুলীবাসীয়ে পৱিত্ৰক অভিনন্দন জনাইছে। মাজুলীৰ বিধায়ক ভুৱন গামেও পৱিত্ৰ নাথক অভিনন্দন জনাইছে। বিশিষ্ট শৰীৰ চৰ্চাবিদ বঞ্জিত শইকীয়াৰ লগতে মাজুলী জিলা শৰীৰ চৰ্চা সংস্থাৰ সভাপতি উৎপল বৰুৱা আৰু সম্পাদক মনোজ নেওগে পৱিত্ৰ নাথক শুভেচ্ছা জ্ঞাপন কৰিছে। উল্লেখযোগ্য যে ইয়াৰ পূৰ্বেও পৱিত্ৰই ছাউথ এচিয়ান গেমচত সোণৰ পদক আৰু বিশ্ব বডি বিল্ডি এণ্ড ফিজিক চেম্পিয়নশ্বিপত দেশক প্ৰতিনিধিত্ব কৰি তৃতীয় স্থানেৰে ব্ৰঞ্জৰ পদক লাভ কৰি দেশলৈ তথা জন্মভূমি মাজুলীলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছিল। পৱিত্ৰ মধ্য মাজুলীৰ পুৰণিবাৰী গাঁৱৰ মহেন্দ্ৰ নাথ আৰু জ্যোতি নাথৰ জ্যেষ্ঠ সন্তান। আজি সন্ধ্যা মাজুলীৰ পুৰণিবাৰী জন্ম গাঁৱত পৱিত্ৰৰ সফলতাত ফটকা ফুটাই আনন্দ-উল্লাস কৰা পৰিলক্ষিত হয়।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)
কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰি